Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, JUNE 1, 2025 ■ দেওবাৰ, ১৭ জেঠ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৫৪ Guwahati, Assam ।। মূল্যঃ এটকা

## হেমেন বৰাৰ দাবী
## চৰকাৰৰ কথা মতে যোৰহাটত শৃংখল চলিহা!

ই-সংবাদ, ৩১ মে': প্ৰদেশ কংগ্ৰেছৰ নৱনিযুক্ত সভাপতি গৌৰৱ গগৈয়ে আজি যোৰহাটত পদাৰ্পণ কৰাৰ ৫ পৃষ্ঠাত চাওক

## 'অপাৰেশ্যন সিন্দূৰ'ৰ সময়ত ধ্বংস হৈছিল ভাৰতৰ যুদ্ধবিমান!
### সংখ্যা নকৈ ভুলৰ সন্ধানত গুৰুত্ব চিডিএছৰ

**ব্লুমবাৰ্গ টিভিৰ সাক্ষাৎকাৰত মন্তব্য**



ছিংগাপুৰ, ৩১ মে': পাকিস্তানৰ বিৰুদ্ধে সামৰিক সংঘৰ্ষত ভাৰতীয় বায়ু সেনাৰ 'প্ৰাথমিক ক্ষতি'ৰ কথা শেষাংশ ৬ পৃষ্ঠাত

## দেশত ভয়াৱহ ক'ভিড, বাঢ়িছে ৰোগীৰ সংখ্যা

নতুন দিল্লী, ৩১ মে': ক'ভিড মহামাৰীৰ পুনৰ ধাৰাবাহিক বৃদ্ধিয়ে ভাৰতত ৫ নং পৃষ্ঠাত

## মেঘালয়ৰে অসমৰ বৈঠক

ই-সংবাদ বিশেষ, ৩১ মে': অসম-মেঘালয়ৰ সীমান্তত হোৱা পাহাৰ আৰু বনধ্বংস ৪ পৃষ্ঠাত

## যোৰহাটৰ পৰা নাজিৰালৈকে গুঞ্জৰিত 'গৌৰৱ জিন্দাবাদ' ধ্বনি

# ৰণভূমিত সেনাপতি! অসমত কংগ্ৰেছৰ গৌৰৱ



প্ৰয়াত পিতৃ তৰুণ গগৈক সেৱা জনাই ৰাইজৰ আশা পূৰণ কৰিবলৈ অংগীকাৰ

■ ২০২৬ৰ নিৰ্বাচনত ৰাইজে মৰম-আশীৰ্বাদ দিব বুলি আশা প্ৰকাশ

ই-সংবাদ, ৩১ মে': 'গৌৰৱ গগৈ বাচ্চা ল'ৰা, 'বাচ্চা ল'ৰাৰ কথাত মই উত্তৰ নিদিও!'- ২০২৩ চনৰ ২২ আগষ্টত গৌৰৱ গগৈ সন্দৰ্ভত এই মন্তব্য ৭ নং পৃষ্ঠাত



যোৰহাটত গৌৰৱ গগৈক বিপুল আদৰণি


## দিল্লীৰ পৰা ডাইৰেক্ট বিমান যোৰহাটলৈ

ই-সংবাদ, ৩১ মে': অসমৰ বিমান যোগাযোগ ব্যৱস্থাত সূচনা হৈছে এক নতুন ৪ পৃষ্ঠাত

## ৰুক্মিণীগাঁৱত কলগছৰ ভুৰেই হ'ল 'স্বৰ্গৰথ'

ই-সংবাদ বিশেষ, ৩১ মে': কৃত্ৰিম বানত কৰুবকাইছে মহানগৰী গুৱাহাটী। ৩ পৃষ্ঠাত

### দ খাৱৈত নিশা বাগৰি পৰিল বাহন, পিছদিনা উদ্ধাৰ মৃতদেহ
## অৰুণাচলৰ পূব কামেঙত ভূমিস্খলন, নিহত সাতজন



ইটানগৰ, ৩১ মে': ভয়াবহ ভূমিস্খলনত বিধ্বস্ত অৰুণাচল প্ৰদেশৰ ইষ্ট কামেং জিলা! ৫ পৃষ্ঠাত

## বান চাবলৈ আহি ৰাইজৰ কৰুৰ্থনাত সাংসদ বিজুলী হ'ল বিতত

ই-সংবাদ বিশেষ, ৩১ মে': যোৱা দুদিন ধৰি কৃত্ৰিম বানে হাহাকাৰ অৱস্থা কৰিছে গুৱাহাটীবাসী ৰাইজৰ। দুই-তিনিদিন ধৰি ৪ পৃষ্ঠাত চাওক

## বিদেশী খেদা নাটকৰ অন্ত! সীমান্তৰ সিপাৰৰ পৰা ওভতাই আনিলে খাইৰুল, ৰহিমাক





ই-সংবাদ, ৩১ মে': অৱশেষত যৱনিকা পৰিল অসম চৰকাৰৰ এখন বিদেশী খেদা নাটকৰ! 'বিদেশী' হোৱাৰ সন্দেহত আটক কৰি পিছত বাংলাদেশলৈ শেষাংশ ৬ পৃষ্ঠাত

### দুদিন ধৰি সন্ধানহীন সুমন
## ডাঙৰীৰ বাঢ়নীয়ে উটুৱাই নিলে ছাত্ৰক



জিঅ' বেগত মাটি ভৰাই থকাৰ সময়তে অঘটন

ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ৩১ মে': তিনিচুকীয়াৰ ডুমডুমাৰ কৰ্দৈগুৰিত ডাঙৰী নদীৰ বাঢ়নী পানীত দুদিন ধৰি সন্ধানহীন ৩ নং পৃষ্ঠাত

### ছয়গাঁৱত কলহী নৈৰ সোঁতে খহালে দলং
## লখিমপুৰত হাহাকাৰ, ছিঙিল ৰঙানদীৰ মথাউৰি

চঞ্চলা কপিলী! কাৰ্বি-লাংপি জলবিদ্যুৎ প্ৰকল্পৰ ৫খন গেট মুকলি



ই-সংবাদ, গুৱাহাটী- ছয়গাঁও- উত্তৰ লখিমপুৰ- কামপুৰ, ৩১ মে': "মই কাপোৰ-কানি একোৱেই আনিব নোৱাৰিলো। ৭ নং পৃষ্ঠাত

### গাত পৰিল ডাম্পাৰ
## ভৱানীপুৰত ভয়াৱহ দুৰ্ঘটনা, মহিলাৰ মৃত্যু



ই-সংবাদ, ভৱানীপুৰ, ৩১ মে': বৰপেটা জিলাৰ ভৱানীপুৰত ২৭নং ৩ নং পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# লখিমপুৰত হাহাকাৰ, ছিঙিল ৰঙানদীৰ

ৰাতি তিনিবজাত হঠাতে পানী আহি আমাৰ সকলো লৈ গ'ল। নিশাৰে পৰা এটুপি পানী খাবলৈ পোৱা নাই।"- লখিমপুৰত নিপকোৰে এৰা পানীয়ে ঘৰ-বাৰী সকলো উটুৱাই নিয়াৰ সময়ত প্ৰাণ ৰক্ষা কৰি অহা এগৰাকী দুৰ্ভগীয়া মহিলাই এনেদৰে আৰ্তনাদ কৰা শুনা গ'ল। নিপকোৰে এৰা পানীৰ ঢলত এনেদৰে গৃহহাৰা হৈ পৰিছে অসংখ্যাজন। কেৱল গাত পিন্ধি থকা কাপোৰৰ বাহিৰে একোকে উলিয়াই আনিব নোৱাৰিলে বহু লোকে। নিশা কেইবা হাজাৰ লোকে শুই থকা অৱস্থাতে নীপকোৰে ৰঙানদী বান্ধৰ পানী এৰি দিয়াত বিগত সময়ৰ দৰেই এইবাৰো লখিমপুৰৰ বিভিন্ন অঞ্চলত বান পৰিস্থিতি অবৰ্ণনীয় হৈ পৰিছে। আকস্মিক ভাৱে অহা ঢলত একাংশ ৰাইজৰ ঘৰ-দুৱাৰ চকুৰ পচাৰতে উটি যায়। বহু পৰিয়ালৰ ঘৰৰ ভিতৰত পানী সোমাই বহু মূল্যৱান সা-সামগ্ৰীৰ বিস্তৰ ক্ষতি সাধন কৰে। নীপকোৱে অতিৰিক্ত পানী মোকলাই দিয়াৰ ফলত লখিমপুৰৰ পাশ্বৰ্বৰ্তী অঞ্চলত বানৰ তাণ্ডৱ দেখা গৈছে। ৰেড এলাৰ্ট জাৰি নকৰাকৈ পানী এৰি দিয়াৰ অভিযোগ আনিছে ৰাইজে। কেৱল পানী এৰাই নহয়, সোৱণশিৰিৰ বৃহৎ নদীবান্ধ প্ৰকল্পত ভূমিস্খলন হোৱাৰো বাতৰি পোৱা গৈছে। বান্ধৰ কাষতেই পাহাৰৰ বৃহৎ এটা অংশ খহি পৰাত আতংকৰ সৃষ্টি হৈছে। প্ৰাপ্ত বাতৰি অনুযায়ী ৰঙানদী আৰু নাওবৈচা বিধানসভা সমষ্টিৰ ২৪৩ খন গাঁও বানত বুৰ যায়। ২৪ হাজাৰ ৩৩০টা পৰিয়াল বানত ক্ষতিগ্ৰস্ত হোৱাৰ লগতে বানে উটুৱাই নিয়ে ঘৰৰ সা-সামগ্ৰী, পশুধন। নীপকোৰ এনে অমানৱীয় কাণ্ডৰ বিৰুদ্ধে ক্ষোভ উজাৰি বানপীড়িতেই চকুলো টকুছে। আগতীয়া জাননী নিদিয়াকৈ এনে হঠকাৰী সিদ্ধান্ত লৈ পানী এৰি দিয়াত নিশাৰ ভিতৰতে মানুহে গৃহহাৰ হৈ ৰাস্তাৰ কাষত থিতাপি ল'বলৈ বাধ্য হৈছে। সন্তানৰ পঢ়া কিতাপ-বহী পৰ্যন্ত উটুৱাই নিছে। অসম আৰু অৰুণাচলৰ পাহাৰত হোৱা ধাৰাষাৰ বৰষুণৰ ফলত ৰঙানদীৰ জলপৃষ্ঠ বাঢ়ি অহাৰ বাবে ৰঙা নদীৰ ওপৰত অৰুণাচল প্ৰদেশত নিৰ্মাণ কৰা নীপকোৰ জলবিদ্যুৎ প্ৰকল্পৰ বান্ধৰ পানী এৰি দিয়াত লখিমপুৰ জিলাৰ মাজেৰে বৈ হৈ যোৱা ৰঙানদীৰ বাঢ়নী পানীয়ে লখিমপুৰ জিলাৰ শতাধিক গাঁৱত তাণ্ডৱ চলাইছে। জলবিদ্যুৎ প্ৰকল্পৰ বান্ধৰ পানী এৰি দিয়াৰ বাবে লখিমপুৰৰ জিলাৰ ৰঙানদীৰ লগতে উপনৈ-সমূহৰ পানী বাঢ়ি আহি বিভিন্ন প্ৰান্তত মথাউৰি ভঙাৰ লগতে পদুমৰা, নাওবৈচা, দ'লহাট, লালুকৰ লগতে বহু অঞ্চল ডুব যায়। নিশাৰ ভাগত বাঢ়নী পানীত সৰ্বসাধাৰণ ৰাইজৰ ঘৰ ডুব যোৱাৰ লগতে গৰু, মহ, হাঁহ, কুকুৰা আদি পোহনীয়া জীৱ-জন্তুৰ বিস্তৰ ক্ষতি হয়। বহু স্থানত কৃষকে পথাৰত পাৰি থোৱা কঠীয়া বানে পুতি পেলাই আৰু উটুৱাই লৈ যায়। বানত ঘৰ পানীত ডুব যোৱাৰ ফলত মানুহৰ লগতে পশু খাদ্যৰ নাটনিয়ে দেখা দিয়ে। ৰঙানদীৰ বাঢ়নী পানীত পদুমৰাৰ মাজগাৱঁত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথ বুৰ যোৱাৰ ফলত পুৱাৰে পৰা ৰাষ্ট্ৰীয় ঘাইপথচোৱাত ব্যাপক যানযঁটৰ সৃষ্টি হয়। বানৰ ফলত বহু লোক ঘৰতে আৱদ্ধ হৈ থাকিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হোৱাৰ বিপৰীতে একাংশ লোকে পথৰ দাঁতিত তম্বু তৰি আশ্ৰয় ল'বলগীয়া হৈছে। উল্লেখ্য যে অসমৰ দল-সংগঠনসমূহে দীৰ্ঘদিন ধৰি অসমৰ সম্পদ সমূহ ৰাষ্ট্ৰীয় সম্পদ হিচাপে ৰাষ্ট্ৰই নিয়ন্ত্ৰণ কৰিব বিচৰাৰ পৰিৱৰ্তে অসমৰ বান সমস্যাৰ ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি দিয়াৰ বাবে প্ৰতিখন চৰকাৰৰ ওচৰত দাবী জনাই আহিছে যদিও চৰকাৰৰ সদিচ্ছা নথকাৰ বাবেই আজি পৰ্যন্ত অসমৰ বান সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি প্ৰদান কৰি বান সমস্যা সমাধান কৰাৰ পৰা বিৰত আছে। একাংশ মন্ত্ৰী-আমোলাই অসমৰ বান সমস্যাক সোণৰ কণী পৰা হাঁহ হিচাপে গ্ৰহণ কৰি আহিছে। আনহাতে ৰঙা নদীৰ ওপৰত নিৰ্মাণ কৰা নীপকুৰ জলবিদ্যুৎ প্ৰকল্পৰ পানীয়ে প্ৰতিবছৰে লখিমপুৰ জিলাত কৰা ক্ষয়-ক্ষতিসমূহ প্ৰত্যক্ষ কৰাৰ পাছতো শাসকীয় দলে সোৱণশিৰি নদীৰ ওপৰত পুনৰ নিৰ্মাণ কৰিবলৈ লোৱা বৃহৎ নদী বান্ধৰ সমৰ্থন জনাই অহাক লৈ স্থানীয় বানপীড়িত ৰাইজে চৰকাৰৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰিছে। ইপিনে কাৰ্বি-লাংপি জলবিদ্যুৎ প্ৰকল্পই পানী এৰি দিয়াত কাৰ্বি আংলংঙৰ লগতে নগাঁও জিলাত হাহাকাৰ সদৃশ পৰিস্থিতি দেখা গৈছে। কাৰ্বি-লাংপি জলবিদ্যুৎ প্ৰকল্পই আজি পুনৰ ৫খন গেটেৰে পানী মুকলি কৰিছে। যাৰ ফলত বৰচালি, ইংহিনগাঁও, আমডুবি, খেৰগাঁও আদি গাঁৱক বুৰাই পেলাইছে। বৈঠালাংছু-বৰছালী সংযোগী পথৰ ওপৰেৰে পানী বাগৰিছে। ফলত পথটোত যোগাযোগ বিছিন্ন হৈছে। একেদৰে ছয়গাঁৱত কলহী নৈৰ বাঢ়নী পানীয়ে ৰাষ্ট্ৰীয় ঘাইপথৰ দলঙৰ দুয়োটা মূৰ খহাই পেলোৱাত গোৱালপাৰা-গুৱাহাটীৰ মাজত সংযোগ প্ৰায় বিচ্ছিন্ন হৈ পৰিছে।

# শৃংখল 'চৰকাৰী পোহনীয়া বাঘ'! শানিত আক্ৰমণ কৃষক মুক্তিৰ

**ই-সংবাদ, ৩১ মে':** বীৰ লাচিত সেনাৰ নেতা শৃংখল চলিহাক 'চৰকাৰী পোহনীয়া বাঘ' আৰু 'ছাবি দিয়া পুতলা' বুলি অভিহিত কৰি শাণিত ভাষাৰে আক্ৰমণ চলালে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। শৃংখল চলিহাই ইচ্ছাকৃতভাৱে অসমৰ গণ সংগ্ৰামক দুৰ্বল কৰাৰ চেষ্টা চলাইছে বুলিও গুৰুতৰ অভিযোগ তোলে কৃষক মুক্তিয়ে। শৃংখলৰ এক অভিযোগৰ প্ৰত্যুত্তৰ দি কৃষক নেতা বিদ্যুৎ শইকীয়াই তেওঁৰ বিশ্বাসযোগ্যতাক প্ৰত্যাহ্বান জনায়। উল্লেখ্য যে, কৃষক মুক্তিয়ে কেতিয়াও কোনো সফল আন্দোলনৰ নেতৃত্ব প্ৰদান কৰা নাই বুলি অভিযোগ কৰিছিল বীৰ লাচিত সেনাৰ নেতাজনে। ইয়াৰ পিছতে আজি তেওঁৰ এই মন্তব্যৰ প্ৰত্যুত্তৰ দি বিদ্যুৎ শইকীয়াই প্ৰশ্ন কৰে- "আমি যেতিয়া নদীবান্ধ বিৰোধী আন্দোলনৰ নেতৃত্ব দি আছিলো তেতিয়া শৃংখল চলিহা আৰু তেওঁৰ বীৰ লাচিত সেনা ক'ত আছিল? টোলগেটৰ বিৰোধিতা কৰাৰ বাবে অখিল গগৈক কাৰাগাৰত ভৰাই থোৱাৰ সময়ত তেওঁ আছিল নেকি বা আমি কৃষকৰ ভূমিৰ অধিকাৰৰ বাবে থিয় দিওঁতে শৃংখল ক'ত আছিল?" শইকীয়াই লগতে আঙুলিয়াই দিয়ে যে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে কেতিয়াও তেওঁলোকৰ আন্দোলনৰ বাবে চান্দা সংগ্ৰহ কৰা নাই। তেওঁ লগতে কয় যে আমাৰ সদস্যসকলে দিনত পথাৰত কাম কৰে আৰু সন্ধিয়া ৰাজপথত প্ৰতিবাদ কৰে, তেওঁলোকে গণ আন্দোলনৰ নেতৃত্ব দি জীৱিকা উপাৰ্জন কৰিছে। চলিহাৰৰ তথাকথিত 'বিকৃত জাতীয়তাবাদ'ৰ বিৰুদ্ধে তীব্ৰ স্থিতি গ্ৰহণ কৰিছে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। সংগঠনটোৱে কয় যে যদি শৃংখল চলিহাই পাঁচজন বিহাৰী নাপিতক হাৰাশাস্তি কৰা বা নামনি অসমৰ দহজন শ্ৰমিকক অপমান কৰাটো যদি বীৰ লাচিত সেনাৰ জাতীয়তাবাদ বুলি ভাৱে, তেন্তে আমি ক'ম এয়া শিশু জাতীয়তাবাদ। নগা আগ্ৰাসনৰ বিৰুদ্ধে প্ৰতিবাদৰ সময়ত কৃষক মুক্তিয়ে ২০০ বিঘাৰো অধিক মাটি পুনৰ উদ্ধাৰ কৰা বুলিও দাবী কৰে বিদ্যুৎ শইকীয়াই। তেওঁ প্ৰশ্ন কৰে, "তেতিয়া বীৰ লাচিত সেনা ক'ত আছিল? আৰামত শুই আছিল তেওঁলোকে।" কৰ্পৰেট সংস্থা আৰু চৰকাৰৰ বিৰুদ্ধে থিয় দিবলৈ বীৰ লাচিত সেনা আৰু শৃংখল চলিহাক প্ৰত্যাহ্বান জনায় কৃষক মুক্তিয়ে। গৌতম আদানীৰ কনিষ্ঠ পুত্ৰ জীত আদানীৰ ধুবুৰী ভ্ৰমণৰ সময়ত কৃষক মুক্তিৰ প্ৰতিবাদৰ ওপৰত আলোকপাত কৰি সংগঠনটোৱে চলিহাক ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে মাত মতাৰ সময়ত একেধৰণৰ সাহস দেখুৱাবলৈ আহ্বান জনায়। শইকীয়াই কয়, "যদি বীৰ লাচিত সেনাই অসমীয়া স্বাৰ্থৰ পক্ষত থিয় দিয়াৰ দাবী কৰে, তেন্তে পলাশবাৰী আৰু কাৰ্বি আংলঙৰ মাটি দখল কৰিবলৈ চেষ্টা কৰা আম্বানী আৰু আদানীৰ দৰে কৰ্পৰেটক প্ৰত্যাহ্বান জনাব লাগে। কিন্তু ইয়াৰ বাবে তেওঁলোকৰ সাহস নাই।" অন্যহাতে শৃংখল চলিহা আৰু বীৰ লাচিত সেনাৰ বিৰুদ্ধে ভণ্ডামি আৰু গোপন চুক্তিৰো অভিযোগ তুলে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। বীৰ লাচিত সেনাই পূৰ্বে উজনি উজনি অসমৰ প্ৰব্ৰজিত শ্ৰমিকক লক্ষ্য কৰি লৈছিল যদিও এতিয়া সেই একেটা সংগঠনেই মুকলিকৈ অঞ্চলটোৰ ইটা ভাটাৰ পৰা ধন সংগ্ৰহ কৰি থকাৰ পিছতো চৰকাৰ নিমাত হৈ আছে। বিদ্যুৎ শইকীয়াই এই প্ৰশ্ন উত্থাপন কৰে, "ইটা ভাটাৰ মালিকৰ সৈতে কোনো গোপন চুক্তি হৈছে নেকি?" যোৰহাট পৌৰসভাৰ ব'ৰ্ডৰ বিতৰ্কিত ৱাৰ্ড মেম্বাৰ ৰঞ্জিত শইকীয়াক লৈ আৰক্ষীয়ে হঠাৎ মৌনতা অৱলম্বন কৰাতো সন্দেহ প্ৰকাশ কৰে। ইফালে, 'গুণ্ডা কৰ' সংগ্ৰহৰ কথা ৰাজহুৱাভাৱে স্বীকাৰ কৰাৰ পিছতো চলিহাৰ বিৰুদ্ধে কিয় কোনো আইনী ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই সেই প্ৰশ্নও উত্থাপন কৰে কৃষক মুক্তিৰ নেতাজনে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ডাঙৰীৰ বাঢ়নীয়ে উটুৱাই নিলে ছাত্ৰক

হৈ আছে এজন ছাত্ৰ। ছাত্ৰ গৰাকীৰ নাম সুমন মৰাণ। ঘৰৰ আৰ্থিক অনাটনৰ বাবে নদীৰ চেক বান্ধত জিঅ' বেগত মাটি ভৰোৱা কাম কৰিবলৈ গৈছিল মেধাৱী ছাত্ৰজনে। শুকুৰবাৰে ৩ নং কৰ্দৈগুৰিৰ চেকবান্ধত কাম কৰিবলৈ যোৱাৰ পাছৰে পৰাই সন্ধানহীন হৈ আছে ১ নং কৰ্দৈগুৰিৰ ভতিয়ামখাল গাঁৱৰ ছাত্ৰজন। উল্লেখ্য যে, পিতৃহাৰা সুমনে সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৰ্দৈগুৰি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰা দুটা বিষয়ত লেটাৰসহ শতকৰা ৬৫.২ শতাংশ নম্বৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। জানিব পৰা মতে, আনদিনাৰ দৰে কালিও নদীৰ চেকবান্ধত জিঅ'বেগত পলস ভৰোৱা কাম কৰিবলৈ যোৱা সুমনে বাঢ়নী পানীৰ ভয়াৱহ ৰূপ দেখি কাম নোহোৱাত ঘৰলৈ উভতি অহাৰ সময়ত এখন সৰু নৈ পাৰ হওঁতে সোঁতত উটি যোৱাৰ সন্দেহ কৰিছে গাঁওবাসীয়ে। সুমনৰ সন্ধানত কালিৰে পৰাই এছ ডি আৰ এফে উদ্ধাৰ অভিযান চলাই আছে যদিও এই বাতৰি লিখা পৰ্যন্ত ছাত্ৰজনৰ কোনো সন্ধান লাভ কৰা নাই। আজি দ্বিতীয় দিনাও সুমনক বিচাৰি এছ ডি আৰ এফৰ দলে অভিযান অব্যাহত ৰাখিছে। ঘটনাস্থলীত সদৌ মৰাণ ছাত্ৰ সন্থাৰ এটা সজাতি দল উপস্থিত হৈ ঘটনাৰ স্থান পৰিদৰ্শন কৰাৰ লগতে ৰাজ্য চৰকাৰক এইক্ষেত্ৰত তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছে। অসম মৰাণ সভাৰ সম্পাদক বিতুপন মৰাণে এই সন্দৰ্ভত কয়, "মেধাৱী ছাত্ৰ সুমন মৰাণে এইবাৰ হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাত দুটাকৈ বিষয়ত লেটাৰ নম্বৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল; কিন্তু দুৰ্ভাগ্যজনক যে কালিৰে পৰা এইপৰ্যন্ত ডাঙৰী নদীৰ এই হোলাটোতেই তেওঁ নিখোজ হৈ আছে। তেওঁ নদীত চেকবান্ধ নিৰ্মাণত কাম কৰিছিল। তেওঁৰ যিহেতু পিতৃ নাই গতিকে ঘৰৰ তথৈবচ অৱস্থা, আৰ্থিকভাৱে তেওঁ অতি দুৰ্বল। নিজৰ পঢ়া-শুনাৰ খৰচ তেওঁ নিজেই উলিয়াইছিল। কাম কৰি ঘৰলৈ উভতি যাঁওতেই এই নলাটোতেই নিখোঁজ হৈছে।" বিতুপন মৰাণে চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পুনৰ কয়, "চৰকাৰক আমি এই কথাটো বাৰম্বাৰ কৈ আহিছো যে কৰ্দৈগুৰি অঞ্চলৰ বান আৰু খহনীয়া সমস্যাটো ভয়াৱহ। ইয়াৰ ফলত জনতা শংকিত হৈ আছে, প্ৰাণ হেৰুৱাইছে, সম্পত্তি হেৰুৱাইছে, ঘৰবাৰী হেৰুৱাইছে, ২০ খনকৈ ৰাজহ গাঁও হেৰুৱাইছে। কিন্তু অসমত এগৰাকী দক্ষ মুখ্যমন্ত্ৰী থকাৰ পাছতো কোনো গুৰুত্ব প্ৰদান কৰা নাই। এগৰাকী বিভাগীয় মন্ত্ৰী থকাৰ পাছতে কণা হাঁহক পতান ছটিয়াই দিয়াৰ দৰে কাম কৰি আহিছে। কাম আৰম্ভ কৰে বাৰিষাত, যি কাৰণে সফল নহয়। গতিকে আমি অনুৰোধ জনাইছো যাতে ভৱিষ্যতে এইদৰে আৰু কৰুণ ঘটনা সংঘটিত নহয়। সুমন মৰাণৰ দৰে যাতে মেধাৱী ছাত্ৰ হেৰুৱাব লগা নহয় তাৰ ব্যৱস্থা কৰিব লাগিব। সুমন মৰাণক বিচাৰি যিদৰে উদ্ধাৰ অভিযান চলাব লগা হৈছে সেয়াও যথোপযুক্ত নহয়। গতিকে অতি সোনকালে চৰকাৰে যথোপযুক্ত ব্যৱস্থা তৎপৰতাৰে গ্ৰহণ কৰাৰ লগতে বান আৰু গৰাখহনীয়া ৰোধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰক।" ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা সম্প্ৰতি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰতিনিধিত্ব কৰা তিনিচুকীয়া জিলাৰ ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত ১ নং কৰ্দৈগুৰি ভতিয়ামখাল গাওঁৰ ছাত্ৰ সুমন মৰাণৰ দৰে এগৰাকী মেধাৱী ছাত্ৰই পঢ়া-শুনাৰ খৰছ উলিয়াবলৈ গৈ নদীৰ বাঢ়নি পানীত দুদিনে সন্ধানহীন হৈ থকাৰ ঘটনাই বৃহত্তৰ কৰ্দৈগুৰি অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। স্মতব্য যে, অঞ্চলটোৰ কেইবাখনো গাওঁৰ ৰাইজে ইতিমধ্যে খহনীয়াৰ কবলত পৰি নিজৰ ভেঁটি-মাটি হেৰুৱাই অঘৰী জীৱন কটাইছে। নৱৈ দশকৰ পৰাই প্ৰতি দিনাই গৰাখহনীয়াৰ কবলত পৰি এতিয়ালৈকে প্ৰায় তিনি হাজাৰতকৈ অধিক ভূমিপুত্ৰ খিলঞ্জীয়া পৰিয়ালে বানৰ কবলত পৰি উটি-ভাঁহি যোৱাৰ উপৰিও ৩ নং কৰ্দৈগুৰি, কেৰাণী, দৰ্জিজান, গটং, বাঘজান গাঁওকে ধৰি একুৰিৰো অধিক গাঁও ভয়াৱহ বানৰ কবলত পৰা বুলিব পাৰি। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ দৰে এগৰাকী জনজাতীয় নেতাই সম্প্ৰতি প্ৰতিনিধিত্ব কৰা সমষ্টিত খিলঞ্জীয়া লোকৰ এনে দুৰৱস্থাৰ প্ৰতি বিজেপি চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভৱানীপুৰত ভয়াৱহ দুৰ্ঘটনা, মহিলাৰ

ঘাইপথত আজি সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত এগৰাকী অধিবক্তাৰ অতি কৰুণভাৱে মৃত্যু হোৱা ঘটনাই সমগ্ৰ অঞ্চলটোত শোকাকুল পৰিবেশৰ সৃষ্টি কৰিছে। পথ দুৰ্ঘটনাত নিহত অধিবক্তাগৰাকী ভৱানীপুৰৰ নিকটৱৰ্তী পূৰ্বলুৱাশুৰ গাঁৱৰ বাসিন্দা নাজমা য়াছমিন (২৮) বুলি চিনাক্ত হৈছে। উল্লেখ্য যে আজি দিনৰ প্ৰায় পাঁচ বজাত ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সন্মুখত ফুলৰতল চ'কত ২৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ ডাইভাৰচনত দুৰ্ঘটনাটো সংঘটিত হয়। বজালীৰ আদালতৰ অধিবক্তা নাজমা য়াছমিনে তেওঁৰ আদালতৰ কৰ্তব্য সম্পাদন কৰি বাছেৰে আদালতৰ পৰা গৈ ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সন্মুখত ফুলৰতল চ'কত দিনৰ প্ৰায় পাঁচ বজাত বাছৰ পৰা নামি চাৰি লাইনযুক্ত ৰাষ্ট্ৰীয় ঘাই পথ পাৰ হোৱাৰ উদ্দেশ্যে ডাইভাৰচন কেন্দ্ৰত থিয় হৈ আছিল। সেই সময়তে পূব দিশৰ পৰা পশ্চিমে গতি কৰি থকা অৰ্থাৎ গুৱাহাটীৰ পৰা ধুবুৰী অভিমুখী তীব্ৰ বেগত গতি কৰা এ এছ ১৭ কে ৮২৬৩ নম্বৰৰ ভেনিউ চাৰিচকীয়া বাহনে নিয়ন্ত্ৰণ হেৰুৱাই ডাইভাৰচন কেন্দ্ৰত পথ পাৰ হোৱাৰ বাবে অপেক্ষাৰত অধিবক্তা নাজমা য়াছমিনক প্ৰচণ্ড খুন্দা মাৰে। চাৰিচকীয়া বাহনখনৰ প্ৰচণ্ড খুন্দাত অধিবক্তা নাজমা য়াছমিনে বহু দূৰলৈকে ওফৰি পৰে আৰু লগে লগে ৰাষ্ট্ৰীয় ঘাইপথেৰে পশ্চিম দিশৰ পৰা পূব দিশলৈ চলন্ত বি পি ২ এ ৯৯৫১ নম্বৰৰ ডাম্পাৰখনৰ সন্মুখত পৰি যায়। নাজমা য়াছমিনৰ দেহৰ ওপৰেৰে পাৰ হৈ যায় গধুৰ ডাম্পাৰখন। ফলত নাজমা য়াছমিনৰ সম্পূৰ্ণ দেহৰ অংগ তথা মাংস পেশীবোৰ ছিন্ন-ভিন্ন হৈ নিহত হয়। উক্ত দুৰ্ঘটনাৰ চি চি কেমেৰাৰ ফুটেজত দেখা অনুযায়ী এখন টমটম চালকৰ গুৰুত্বহীনতাৰ কাৰণে অকালতে হেৰুৱাবলগা হ'ল এই অধিবক্তাগৰাকী প্ৰাণ। পূৰ্ব লুৱাশুৰ গাঁৱৰ বাসিন্দা তথা অধিবক্তা আমিনুল হকৰ পত্নী অধিবক্তা নাজমা য়াছমিনৰ দুৰ্ঘটনাত অকাল বিয়োগত বৃহত্তৰ ভৱানীপুৰ অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে, ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সন্মুখৰ ফুলৰতল চ'কত ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত সঘনে সংঘটিত হৈ থকা দুৰ্ঘটনাত পূৰ্বেও বহু সংখ্যক লোকৰ প্ৰাণহানি হৈছে। প্ৰতিদিনে অত্যধিক ব্যস্ত হৈ থকা ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সন্মুখৰ ফুলৰতল চ'কত ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত দুয়োফালে দুৰ্বল গতিৰোধক স্থাপন তথা সঠিকভাৱে গতিৰোধক স্থাপন নোহোৱাৰ পৰিপ্ৰেক্ষিতেই সঘনে দুৰ্ঘটনা সংঘটিত হৈ এক 'দুৰ্ঘটনা কেন্দ্ৰ'ত পৰিণত হৈছে। আজি দুৰ্ঘটনাস্থলীত ৰাইজে এই সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰা পৰিলক্ষিত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰুক্মিণীগাঁৱত কলগছৰ ভূৰেই হ'ল

দুদিন ধৰি চলা নেৰানেপেৰা বৰষুণৰ ফলত অঞ্চলৰ বাট-পথ বন্ধ হৈ পৰিছে। ঠায়ে ঠায়ে এককাঁল-এবুকুলৈকে পানী উঠিছে। ফলত শিক্ষানুষ্ঠানসমূহো বন্ধ হৈ পৰিছে। ইয়াৰ মাজতে শনিবাৰে এক কৰুণ দৃশ্য প্ৰত্যক্ষ কৰিলে গুৱাহাটীবাসীয়ে। কৃত্ৰিম বানৰ মাজতে ৰুক্মিণীগাঁৱত কামেশ্বৰ হাজৰিকা নামৰ এগৰাকী লোকৰ মৃত্যু হয়। জানিব পৰা মতে, লোকজন শ্বাস-প্ৰশ্বাসজনিত ৰোগত আক্ৰান্ত হৈ আছিল। নেবুলাইজাৰ দিলে লোকজন সুস্থ হৈ উঠিলহেতেন যদিও কালিৰে পৰা বিদ্যুতৰ যোগান ব্যাহত হৈ থকাত সেয়া সময়মতে দিয়াতো সম্ভৱ হৈ নুঠা বাবেই মৃত্যুক সাবতি লয়। ৰুক্মিণীগাঁৱৰ এলপি স্কুলৰ সমীপত মৃত্যু হয় লোকগৰাকীৰ। কিন্তু সেই অঞ্চলত বানৰ পৰিমাণ ইমানেই বেছি আছিল, যাৰ বাবে পথটোৰ যাতায়ত ব্যাহত হৈ পৰে। ফলত শ্মশানলৈ লোকজনৰ মৃতদেহ নিবলৈও আহিব নোৱাৰিলে স্বৰ্গৰথ। যাৰ বাবে স্থানীয় লোক আৰু পৰিয়ালৰ লোকে কলগছৰ ভুৰ সাজি মৃতদেহটো শ্মশানলৈ নিয়াৰ ব্যৱস্থা কৰে। এই অবৰ্ণনীয় পৰিবেশে এতিয়া মহানগৰীত শোকাকুল পৰিৱেশৰ সৃষ্টি কৰে। এই ঘটনাৰ বাবে স্থানীয় লোকে চৰকাৰ-প্ৰশাসনক ধিক্কাৰ দিছে। বানৰ সময়ত বিকল্প নৌ পৰিবহনৰ ব্যৱস্থা কৰাৰ লগতে বান সমস্যা নিৰ্মূলৰ বাবে কাম কৰিবলৈ চৰকাৰক দাবী জনাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দিল্লীৰ পৰা ডাইৰেক্ট বিমান যোৰহাটলৈ

দিগন্তৰ। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উদ্যোগত ইণ্ডিগ' এয়াৰলাইন্সে ৰাজ্যত সেৱা সম্প্ৰসাৰণৰ এক বৃহৎ পৰিকল্পনা ঘোষণা কৰিছে। ইয়াৰ অংশ হিচাপে আগন্তুক ছেপ্টেম্বৰৰ মাজভাগৰ পৰা দেশৰ ৰাজধানী দিল্লী আৰু যোৰহাটৰ মাজত আৰম্ভ হ'ব পোনপটীয়া আৰু বিৰতিহীন বিমান সেৱা। আজি এই বৃহৎ সম্প্ৰসাৰণৰ ঘোষণা কৰে খোদ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। নতুন দিল্লীত ইণ্ডিগ'ৰ শীৰ্ষ নেতৃত্বৰ সৈতে হোৱা এক ফলপ্ৰসু বৈঠকৰ অন্তত মুখ্যমন্ত্ৰীয়ে নিজেই নিজৰ অফিচিয়েল এক্স হেণ্ডেলত এই ভাল খবৰটো নিশ্চিত কৰে। তেওঁ লিখিছে- "অসমত বিমান সংযোগ সম্প্ৰসাৰণৰ ৰোডমেপত ইণ্ডিগ'ৰ নেতৃত্বক সাক্ষাৎ কৰি আনন্দিত হৈছো। ২০২৫ চনৰ ছেপ্টেম্বৰৰ মাজভাগৰ পৰা ইণ্ডিগ'ই দিল্লী আৰু যোৰহাটৰ মাজত বিৰতিহীন বিমান সেৱা আৰম্ভ কৰিব বুলি ঘোষণা কৰি সুখী হৈছো।" লক্ষ্যণীয়ভাৱে, ইণ্ডিগ'ৰ সৈতে মুখ্যমন্ত্ৰীৰ এই বৈঠকত আন্তঃৰাজ্যিক আৰু আন্তঃৰাজ্যিক বিমান পথৰ ব্যাপক উন্নতিৰ পৰিকল্পনাও চূড়ান্ত কৰা হয়। ইয়াৰ অংশ হিচাপে বৰাক উপত্যকাত যাত্ৰীসকলৰ সুবিধাৰ্থে গুৱাহাটীৰ পৰা শিলচৰলৈ পুৱাৰে পৰা বহু প্ৰত্যাশিত বিমান মুকলি কৰা হ'ব। ইয়াৰ উপৰিও ২০২৫-২৬ চনৰ শীতকালীন বিমানৰ সময়সূচীত গুৱাহাটীক নৱী মুম্বাইৰ সৈতে পোনপটীয়াকৈ সংযোগ কৰাৰ পৰিকল্পনা কৰা হৈছে, যিয়ে বাণিজ্যিক সংযোগত এক নতুন মাত্ৰা যোগ কৰাৰ সম্ভাৱনা আছে। উল্লেখ্য যে, ইণ্ডিগ'ই নতুন পথ মুকলি কৰাৰ লগতে বৰ্তমানৰ সেৱাসমূহো নতুন ৰূপ দিছে। বৰ্তমান চলি থকা দিল্লী-ডিব্ৰুগড় বিমানখন এতিয়া গুৱাহাটীত ষ্টপ অভাৱৰ সৈতে নতুন ৰূপ ধাৰণ কৰা হ'ব, যাৰ ফলত অসমৰ ডাঙৰ ডাঙৰ চহৰসমূহৰ মাজত যাতায়ত অধিক সুবিধাজনক হ'ব। ইয়াৰ উপৰিও উজনি অসমত বিমান সংযোগৰ নতুন দিগন্ত মুকলি কৰাৰ লক্ষ্যৰে উত্তৰ লখিমপুৰৰ লীলাবাৰী বিমানবন্দৰৰ পৰা বিমান সেৱা আৰম্ভ কৰাৰ কথাও চিন্তা কৰিছে ইণ্ডিগ'ই। এই পদক্ষেপসমূহে অসমৰ অৰ্থনীতি, পৰ্যটন খণ্ডত যথেষ্ট প্ৰভাৱ পেলাব বুলি আশা কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বান চাবলৈ আহি ৰাইজৰ ককৰ্থনাত

হোৱা নেৰানেপেৰা বৰষুণৰ ফলত বহু অঞ্চলৰ জন জীৱন ব্যাহত হৈ পৰিছে। শনিবাৰে ৰুক্মিণী গাঁৱত এই বান পৰিস্থিতি পৰিদৰ্শন কৰিবলৈ আহি ৰাইজৰ ককৰ্থনা আৰু ভৎৰ্সনাৰ সন্মুখীন হ'ল গুৱাহাটী সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধি। মেধিক গাড়ীৰ পৰা নমা দেখিয়েই এজন স্থানীয় লোকে ক্ষোভেৰে ক'লে- "আহক আহক, ইয়াত এককাঁল বানপানী হোৱা নাই। নামি আহক বাইদেউ।" তাৰপিছত এই দৃশ্য বন্দী কৰি থকা সাংবাদিকক বিজুলী কলিতা মেধিৰ লগত যোৱা এজন ব্যক্তিয়ে কয়, "আপোনালোক কিয় আহিছে। ফটো উঠাবলৈ আহিব নালাগে। লাভ নাই যাওক। ভাল নিউজ দেখুৱাব নোৱাৰে আপোনালোকে।" ইয়াৰ পিছতে উপস্থিত থকা ৰাইজে বিজুলী কলিতাৰ মেধি গ' বেক বুলি ধ্বনি দিবলৈ আৰম্ভ কৰে আৰু সেই দৃশ্য প্ৰত্যক্ষ কৰি নীৰৱে থাকে লাজে-মানে যোৱা সাংসদগৰাকী। তাৰপিছত সাংবাদিকৰ আগত বিজুলী কলিতা মেধিয়ে কয় - "দুদিন ধৰি যিহেতু বৰষুণ দি আছে সেয়ে বানপানী চাৰিওফালে হৈছে। কেৱল এই অঞ্চলটোতে হোৱা নাই। চৰকাৰ-প্ৰশাসনে পানীটো কমাবলৈ সম্পূৰ্ণ চেষ্টা কৰি আছে।" স্থানীয় ৰাইজৰ ক্ষোভ সম্পৰ্কেৰ সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত সাংসদ গৰাকীয়ে কয় , " যেতিয়া ৰাইজৰ বিপদ হয় তেতিয়া খং উঠে। তেওঁলোকৰ ক্ষোভৰ বাবে আমি বেয়া পোৱা নাই। ৰাইজৰ প্ৰতিনিধি দেখিলেও তেওঁলোকৰ ক্ষোভ বাঢ়ি যায়। ই এটা ট্ৰেণ্ডলৈ পৰিণত হৈছে। কিন্তু এইখিনি সময়ত কোনে গ' বেক শ্লোগান দিছে সেইটো মোৰ বিচাৰ্যৰ বিষয় নহয়। নলা নৰ্দমা পৰিস্কাৰৰ কাম চলি আছে। প্ৰশাসনে খুব নিষ্ঠাৰে কাম কৰি আছে। কিন্তু দ ঠাইৰ পৰা পানীখিনি ওলাই যোৱাতো ইমান সহজ নহয়। মন্ত্ৰীয়েও কাম কৰি আছে। ইতিমধ্যে আলোচনা চলি আছে। ৰাজহ চক্ৰ বিষয়াই বান সাহায্য দি আছে।" বিজুলী কলিতা মেধিৰ এই মন্তব্যৰ পিছতে এজন স্থানীয় লোকে কয়, বান সাহায্যৰ নামত কেৱল দুটামান পানি বটল আৰু বিস্কুটৰ পেকেটহে দিয়া হৈছে। এতিয়া এইবোৰ বিলাই লাভ নাই। আমাক পানী বটল আৰু বিস্কুটৰ প্ৰয়োজন নাই।" আন এজন বানাক্ৰান্তই ক্ষোভেৰে কয়, "বিজুলী কলিতা মেধি কোন আমি চিনি নাপাও। তেওঁ নিৰ্বাচনৰ সময়তো আমাৰ ইয়ালৈ অহা নাছিল। এতিয়া কি কৰিবলৈ আহিছে ইয়ালৈ। চেহেৰা দেখাবলৈ আহিছে নেকি। আহিছে যদি মানুহৰ ঘৰে ঘৰে যাওক।" আন এজন লোকে কয় - বিধায়কৰ কথাটো বাদেই দিলো, আমাক সহায় কৰিবলৈ কোনো এজন পুলিচ-প্ৰশাসনৰ মানুহ অহা নাই, জি এম চিৰ মানুহ অহা নাই। আমাৰ বিধায়ক অতুল বৰা এতিয়া ক'ত।" শনিবাৰে দিনটোত বিজুলী কলিতা মেধিয়ে অপদস্থ হোৱা এই বাতৰিয়ে সমগ্ৰ অসমতে বিশেষৈ চৰ্চা লাভ কৰে। বিজুলী কলিতা মেধিক ৰাইজে প্ৰত্যুত্তৰ দিয়াত সামাজিক মাধ্যমত বহু নেটিজেনে সন্তুষ্টি প্ৰকাশ কৰে। অৱশ্যে এই ঘটনা সম্পৰ্কে বিজেপিৰ কোনোৱে প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মেঘালয়ৰে অসমৰ বৈঠক

সম্পৰ্কে আলোচনাত মিলিত হ'বলৈ ওলাইছে দুয়োখন ৰাজ্যৰে মুখ্যমন্ত্ৰী। জানিব পৰা মতে, অহা ২ জুনত মুখ্যমন্ত্ৰী পৰ্যায়ত এই বৈঠক অনুষ্ঠিত হ'ব। শুকুৰবাৰে সন্ধিয়া সংবাদমেলত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই কাৰ্যসূচীৰ কথা ঘোষণা কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে সোমবাৰে মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ উপস্থিতিত যোৰাবাটৰ পাহাৰ খনন সম্পৰ্কে আলোচনা হ'ব। শৰ্মাই কয়, 'মই মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাক এখন বৈঠকৰ বাবে আমন্ত্ৰণ জনাইছো, তেওঁৰ সৈতে এই বিষয়টো আলোচনা কৰা হ'ব।' হিমন্ত বিশ্ব শৰ্মাই লগতে উল্লেখ কৰে যে উচ্চতম ন্যায়ালয়ে নিযুক্তি দিয়া কেন্দ্ৰীয় ক্ষমতাপ্ৰাপ্ত সমিতিখনে যোৰাবাটৰ সমীপত পাহাৰ কটা সন্দৰ্ভত অসম আৰু মেঘালয় দুয়োখন ৰাজ্যকে জাননী জাৰি কৰিছে। জানিব পৰা মতে, বৃহস্পতিবাৰে উচ্চতম ন্যায়ালয়ে ৰাজ্য দুখনলৈ জাননী প্ৰেৰণ কৰে। ইয়াৰ উপৰিও হিমন্ত বিশ্ব শৰ্মাই কয় যে মেঘালয়ৰ পাহাৰৰ পৰা অসমলৈ পানী অহাটো সম্পূৰ্ণ বন্ধ কৰাটো অসম্ভৱ। মেঘালয়ৰ পানী গুৱাহাটীলৈ অহাটো নিশ্চিত। তেওঁ লগতে কয় যে বিগত দুদিন ধৰি বৰষুণৰ ফলত হোৱা বানপানীৰ বাবে কোনো বিশেষ ৰাজ্যক দোষাৰোপ কৰাটো অবুদ্ধিমানৰ কাম হ'ব। লগতে শৰ্মাই কয় যে যোৰাবাটত পাহাৰ কটাৰ বাবে জুৰিপাৰ আৰু ত্ৰিপুৰা ৰোডৰ দৰে অঞ্চল বানপানীত বুৰ গৈছে। ইফালে, মেঘালয়ৰ কেবিনেট মন্ত্ৰী পল লিংডোহে আগুন্তুক নিৰ্বাচনৰ কথা উল্লেখ কৰি ২ জুনৰ বৈঠকত উল্লেখযোগ্য অগ্ৰগতি লাভৰ ক্ষেত্ৰত সন্দেহ প্ৰকাশ কৰে। উল্লেখ্য যে ২০২২ চনৰ মাৰ্চ মাহত দুয়োখন ৰাজ্য চৰকাৰৰ মাজত বুজাবুজি চুক্তি স্বাক্ষৰিত হোৱাৰ লগে লগে অসম আৰু মেঘালয়ৰ মাজত সীমান্ত বিবাদৰ প্ৰথম পৰ্যায়ৰ অন্ত পৰিছিল। ইয়াৰ দ্বাৰা ছয়টা অঞ্চল - তৰাবাৰী, গিজাং, হাহিম, বকলাপাৰা, খানাপাৰা-পিল্লাংকাটা আৰু ৰাটাচিৰাৰ কেইবা দশক পুৰণি সীমা সমস্যা সমাধান হৈছিল। ২ জুনত অনুষ্ঠিত হ'বলগীয়া এই বৈঠকত বাকী থকা অঞ্চলৰ সীমা সমস্যা সমাধানৰ লগতে যোৰাবাটৰ পাহাৰ খনন বিষয়টোত গুৰুত্ব আৰোপ কৰা হ'ব।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অৰুণাচলৰ পূব কামেঙত ভূমিস্খলন

১৩ নং ৰাষ্ট্ৰীয় ঘাইপথৰ বানা-চেপ্পা অংশৰ পথত এখন বাহন ভূমিস্খলনৰ ফলত উটি যোৱাত মৃত্যুক সাৱটে দুটা পৰিয়ালৰ ৭ জন সদস্যই। নিহতসকলৰ ভিতৰত আছে দুগৰাকী অন্তঃসত্বা মহিলা আৰু দুটি শিশুও। শুকুৰবাৰে নিশা ধাৰাসাৰ বৰষুণৰ ফলত হঠাৎ হোৱা ভূমিস্খলনৰ ফলত সংঘটিত হয় এই শোকাৱহ ঘটনা। আৰক্ষীৰ সূত্ৰ অনুসৰি গাড়ীখন চেপ্পাৰ দিশে গৈ আছিল। বাটতে বানাৰ কিচাং গাঁৱৰ সমীপত হঠাতে ভূমিস্খলন সংঘটিত হয়। ইষ্ট কামেঙৰ আৰক্ষী অধীক্ষক কামদাম ছিকমে জনোৱা মতে, ভূমিস্খলনৰ ফলত গাড়ীখন পোনে পোনে দ খাৱৈত পৰি যায়। তেওঁ নিশ্চিত কৰে যে নিহত আটাইকেইজনেই বানাৰ কিচাং গাঁৱৰ বাসিন্দা। ইফালে, দুৰ্ঘটনাৰ খবৰ পোৱাৰ লগে লগে ঘটনাস্থলীত উদ্ধাৰকাৰী দল উপস্থিত হয় যদিও প্ৰচণ্ড বৰষুণ, নতুন ভূমিস্খলন আৰু ৰাতিৰ অন্ধকাৰৰ বাবে উদ্ধাৰ অভিযানত ব্যাঘাত জন্মে। এছ পি ছিকমে কয় যে শনিবাৰে পুৱা স্থানীয় গাঁওবাসীৰ সহায়ত পুনৰ উদ্ধাৰ অভিযান আৰম্ভ হয়। কেইবা ঘণ্টা ধৰি ব্যাপক অনুসন্ধানৰ অন্তত ঘাইপথৰ পৰা প্ৰায় ১৫০ মিটাৰ তলত উদ্ধাৰ হয় গাড়ীৰ ধ্বংসাৱশেষ। তেওঁ নিশ্চিত কৰে যে গাড়ীখনৰ ভিতৰত ৭ জন যাত্ৰীৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। আৰক্ষীয়ে মৃত লোক কেইজনৰ পৰিচয় প্ৰকাশ কৰিছে। গাড়ীখনৰ মালিক ৩৫ বছৰীয়া শংকৰ ওৰফে সাজু বুডী আকা নামৰ যুৱকজনৰ লগত আছিল তেওঁৰ পত্নী ২৫ বছৰীয়া তাছুম বুডী আকা (চাৰি মাহৰ গৰ্ভৱতী), তেওঁলোকৰ ৮ বছৰীয়া কন্যা কচুং বুডী আকা আৰু চাৰি বছৰীয়া পুত্ৰ নিশা বুডী আকা। ইয়াৰ উপৰিও আন এগৰাকী গৰ্ভৱতী মহিলা ৩৩ বছৰীয়া জাজুম য়ামে, তেওঁৰ ৫ বছৰীয়া কন্যা তুছুম য়ামে আৰু তেওঁৰ ৭ বছৰীয়া পুত্ৰ পাটিয়া য়ামেও এই মৰ্মান্তিক দুৰ্ঘটনাত থিতাতে প্ৰাণ হেৰুৱায়। এই ভয়াবহ ভূমিস্খলনৰ ঘটনাই অৰুণাচলৰ লগতে সমগ্ৰ ভাৰততে গভীৰ শোকৰ ছাঁ পেলাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দেশত ভয়াৱহ ক'ভিড, বাঢ়িছে

সৃষ্টি কৰিছে নতুন উদ্বেগ। স্বাস্থ্য মন্ত্ৰালয়ৰ শেহতীয়া তথ্য অনুসৰি বিগত ২৪ ঘন্টাত দেশত ক'ভিড-১৯ত আক্ৰান্ত হৈ দিল্লী, কেৰালা, কৰ্ণাটক আৰু উত্তৰ প্ৰদেশত মৃত্যু ঘটিছে মুঠ চাৰিজন লোকৰ। এই সময়ত দেশত সক্ৰিয় ক'ভিড আক্ৰান্তৰ সংখ্যা ৩,৩৯৫ লৈ বৃদ্ধি পাইছে। লক্ষ্যণীয়ভাৱে সৰ্বাধিক ক'ভিড আক্ৰান্ত হৈছে কেৰালাত। ৰাজ্যখনত স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি এই পৰ্যন্ত ১,৩৩৬ জন ৰোগী আক্ৰান্ত হৈছে ক'ৰ'নাত। ইয়াৰ পিছতে সৰ্বাধিক আক্ৰান্ত হৈছে মহাৰাষ্ট্ৰ আৰু দিল্লীত। উল্লেখ্য যে, যোৱা দুবছৰৰ পিছত প্ৰথমবাৰৰ বাবে দেশত সক্ৰিয় ক'ভিড আক্ৰান্তৰ সংখ্যাই পুনৰ ৩ হাজাৰৰ সীমা অতিক্ৰম কৰিছে। ২২ মে'ত দেশত সক্ৰিয় ৰোগীৰ সংখ্যা আছিল মাত্ৰ ২৫৭ জন। ২৬ মে'ত এই সংখ্যা ১০১০ জনলৈ বৃদ্ধি পাইছিল। কিন্তু তাৰ পিছতে মাত্ৰ চাৰি দিনত অৰ্থাৎ ৩০ মে'ত এই সংখ্যা ৩,৩৯৫ লৈ বৃদ্ধি পায়। শেহতীয়া খবৰ অনুসৰি যোৱা ২৪ ঘণ্টাত ৬৮৫ জন নতুনকৈ ক'ভিড-১৯ত আক্ৰান্ত হোৱাৰ বিপৰীতে ৪ জন লোকৰ মৃত্যু হৈছে। বৰ্তমান মহাৰাষ্ট্ৰত ৪৬৭ জন, দিল্লীত ৩৭৫ জন, গুজৰাটত ২৬৫ জন, কৰ্ণাটকত ২৩৪ জন, পশ্চিম বংগত ২০৫ জন, তামিলনাডুত ১৮৫ জন আৰু উত্তৰ প্ৰদেশত ১১৭ জন ক'ভিড-১৯ত আক্ৰান্ত হৈ চিকিৎসাধীন অৱস্থাত আছে। বিশ্বব্যাপী ক'ভিড নিৰীক্ষণ চাইট ৱৰ্ল্ডমিটাৰৰ তথ্য অনুসৰি দেশত শেষবাৰৰ বাবে ৩,০০০ তকৈ অধিক সক্ৰিয় ৰোগী আছিল ২০২৩ চনৰ ১ এপ্ৰিলত। ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদৰ ডিজি ডাঃ ৰাজীৱ বেহলে কয়, "আমি পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছো। এতিয়াৰ বাবে আতংকিত হোৱাৰ প্ৰয়োজন নাই, কিন্তু সাৱধানতা আৰু সতৰ্কতা অতি গুৰুত্বপূৰ্ণ।" বিশেষজ্ঞসকলে কয় যে দেশত চাৰিটা নতুন অমিক্ৰন চাব-ভেৰিয়েণ্ট ধৰা পৰিছে- এলএফ ৭, এক্সএফজি, জেএন ১, আৰু এনবি ১.৮.১। ইয়াৰে প্ৰথম তিনিটাই আটাইতকৈ সক্ৰিয় ৰোগীৰ হিচাপ দিয়ে। ইতিমধ্যে কেৰালাত ক'ভিডত আক্ৰান্ত হৈ ৫ জন লোকৰ মৃত্যু হৈছে। চলিত বৰ্ষৰ জানুৱাৰী মাহত মহাৰাষ্ট্ৰত সৰ্বাধিক ৭ জন লোকৰ মৃত্যু হৈছিল এই মহামাৰীত। এই বৰ্ষটোত এই পৰ্যন্ত সমগ্ৰ দেশতে মুঠ ২২ জন লোকৰ মৃত্যু হৈছে। ইফালে, স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি ২০২৫ৰ জানুৱাৰী মাহৰ পৰা মুঠ ১১৭০ জন ক'ভিড-১৯ ৰোগী সুস্থ হৈ ঘৰলৈ উভতি আহিছে বা হাস্পতালৰ পৰা যাবলৈ দিয়া হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চৰকাৰৰ কথা মতে যোৰহাটত শৃংখল

দিনটোতে বীৰ লাচিত সেনাই বাংলাদেশী বিতাড়নৰ দাবীত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰিছে। হাতে হাতে বেনাৰ-পোষ্টাৰ লৈ কেইবাশ লোকে বীৰ লাচিত সেনাৰ উদ্যোগত প্ৰতিবাদ সাব্যস্ত কৰিছে। বীৰ লাচিত সেনাৰ নেতা শৃংখল চলিহাৰ উদ্যোগত এই প্ৰতিবাদ সাব্যস্ত কৰা হয়। কিন্তু বীৰ লাচিত সেনাৰ এই প্ৰতিবাদৰ টাইমিঙক লৈ প্ৰশ্ন উত্থাপন হৈছে। গৌৰৱ গগৈয়ে যোৰহাটলৈ অহাৰ দিনটোত চৰকাৰৰ গোপন পৃষ্ঠপোষকতাত বীৰ লাচিত সেনাই এই প্ৰতিবাদ সাব্যস্ত কৰা বুলি অভিযোগ উত্থাপন হৈছে। বীৰ লাচিত সেনাৰ মুখ্য সাংগঠনিক সম্পাদক শৃংখল চলিহাই যোৰহাটৰ ঢাকায়াবস্তি নামৰ ঠাইখনত বাংলাদেশী থকাৰ কথা উল্লেখ কৰাত আজাদ চৌধুৰী নামৰ এজন লোকে শৃংখলক ফোন কৰিছিল। আজাদ চৌধুৰীয়ে ফোন কৰাৰ পিছতে বীৰ লাচিত সেনাই বাংলাদেশীয়ে ভাবুকি দিয়া বুলি অভিযোগ আনি প্ৰতিবাদ তীব্ৰ কৰি তোলে। ইতিমধ্য বুধবাৰে আজাদ চৌধুৰীৰ বিৰুদ্ধে লাচিত সেনাই প্ৰতিবাদ সাব্যস্ত কৰিছিল। আজি দ্বিতীয়বাৰ সংগঠনটোৱে প্ৰতিবাদ সাব্যস্ত কৰি স্পষ্টকৈ কৰিছে যে, গণতান্ত্ৰিক প্ৰতিবাদৰ চূড়ান্ত সীমালৈ এই আন্দোলন অব্যাহত থাকিব। লাচিত সেনাৰ মূল দাবী হৈছে — আজাদ চৌধুৰীৰ তৎক্ষণাত গ্ৰেপ্তাৰ আৰু লীজৰ মাটিৰ ঘৰ উচ্ছেদ। তেওঁলোকৰ মতে, আজাদ চৌধুৰীয়ে ৰাজ্যৰ স্বাৰ্থৰ বিপৰীত কাৰ্যকলাপত লিপ্ত হৈ আছে। আজি কেইবাশ বীৰ লাচিত সেনাৰ সৈনিকৰ প্ৰতিবাদত উত্তাল হৈ পৰে যোৰহাট নগৰ। লাচিত সেনাই অভিযোগ উত্থাপন কৰি কয় যে যোৰহাটত অবৈধ বাংলাদেশীয়ে সুবিধা পাইছে। লীজত লাভ কৰিছে চৰকাৰী ভূমি। যাৰ ফলত বীৰ লাচিত সেনাই প্ৰতিবাদ কৰিছে। অবৈধ বাংলাদেশীৰ পৰা চৰকাৰী সা-সুবিধা কৰ্তনৰ লগতে বিতাড়নৰ দাবী জনায়। আজি পুৱাই যোৰহাট ষ্টেডিয়ামত বীৰ লাচিত সেনাৰ কৰ্মীসকল সমবেত হয়। তাৰে পৰা হাতে হাতে বেনাৰ-পোষ্টাৰ লৈ প্ৰতিবাদী সমদল উলিয়াই। যোৰহাটত অবৈধভাৱে থকা বাংলাদেশী বহিস্কাৰ আৰু আজাদ চৌধুৰীয়ে লাভ কৰা চৰকাৰী সা-সুবিধা কৰ্তন আৰু অবৈধভাৱে চৰকাৰী মাটি লীজত লৈ বনোৱা বাসগৃহ উচ্ছেদৰ দাবী জনায়। জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত শ্ল'গান দিয়ে। শৃংখল চলিহাই উদাত্ত কণ্ঠে কয় যে যোৰহাটৰ পৰাই আৰম্ভ হৈছে বাংলাদেশী বিতাড়ন অভিযান। চৰকাৰী সা-সুবিধা লাভ কৰা আজাদ চৌধুৰীক গ্ৰেপ্তাৰ কৰিব লাগিব। সংগ্ৰাম খিলঞ্জীয়াৰ অস্বিত্ব ৰক্ষাৰ সংগ্ৰাম। ইফালে, বীৰ লাচিত সেনাৰ প্ৰাক্তন উপদেষ্টা তথা বিশিষ্ট অধিবক্তা হেমেন বৰাই যোৰহাটত আজি লাচিত সেনাই কৰা আন্দোলনক লৈ প্ৰশ্ন উত্থাপন কৰিছে। গৌৰৱ গগৈ অহাৰ দিনটোতেই লাচিত সেনাই প্ৰতিবাদ কৰাত শৃংখল চলিহাক আক্ৰমণৰ লক্ষ্য কৰি লয় বিশিষ্ট অধিবক্তা হেমেন বৰাই। গৌৰৱ গগৈৰ প্ৰসংগ ম্লান কৰিবলৈ আৰু বাতৰিৰ হেডলাইনৰ বাবে যোৰহাটত বীৰ লাচিত সেনাই প্ৰতিবাদৰ নামত নাটক কৰিছে বুলি ভয়ংকৰ অভিযোগ উত্থাপন কৰে বৰাই। কালি যাতে গৌৰৱ গগৈৰ বাতৰিটোৱে গুৰুত্ব নাপায় তাৰ বাবে লাচিত সেনাই প্ৰতিবাদ কৰাৰ গুৰুতৰ অভিযোগ আনে। লগতে শৃংখল চলিহাই যোৰহাটত পৰিস্থিতি বেয়া কৰিব বিচাৰি চৰকাৰ সৈতে মিলি থকাৰ অভিযোগ আনে বৰাই। আজি এখন সংবাদমেল সম্বোধন কৰি হেমেন বৰাই লাচিত সেনাৰ প্ৰতিবাদক ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত আখ্যা দিয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘অপাৰেশ্যন সিন্দূৰ’ৰ সময়ত ধ্বংস

স্বীকাৰ ভাৰতৰ প্ৰতিৰক্ষা মুৰব্বী জেনেৰেল অনিল চৌহানৰ। ভাৰত-পাকিস্তানৰ সংঘাতৰ পিছত ভাৰতীয় সেনাৰ ক্ষয়-ক্ষতিক প্ৰশ্ন উত্থাপন কৰি আহিছিল বিৰোধীয়ে। কিন্তু ভাৰত চৰকাৰ অথবা সেনাই এই সন্দৰ্ভত দীৰ্ঘসময় ধৰি মৌনতা অৱলম্বন কৰি আহিছিল যদিও অৱশেষত পৰোক্ষভাৱে হ’লেও এই সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰে চিডিএছ চৌহনে। কিন্তু পাকিস্তানে চাৰিখন ৰাফেলসহ মুঠ ৬ খন ভাৰতীয় বিমান ভূপতিত কৰা বুলি কৰা দাবীক স্পষ্টভাৱে খণ্ডন কৰে জেনেৰেল চৌহানে। ছিংগাপুৰত অনুষ্ঠিত শ্বাংগ্ৰী-লা ডাইলগৰ আঁৰত ব্লুমবাৰ্গ টিভিৰ সৈতে হোৱা এক বিস্ফোৰক সাক্ষাৎকাৰত তেওঁ এই মন্তব্য কৰে। জেনেৰেল চৌহানে কয় যে যুঁজাৰু বিমান ভূপতিত কৰাটো ইমান গুৰুত্বপূৰ্ণ নহয়, কিয় ভূপতিত হৈছিল আৰু কি ভুল হ’ল সেয়াহে গুৰুত্বপূৰ্ণ। তেওঁ কয় যে ভাল কথাটো হ’ল আমি আমাৰ কৌশলগত ভুলবোৰ উপলব্ধি কৰিলোঁ, সেইবোৰ শুধৰাই ল’লো আৰু দুদিনৰ পাছত আমি সেই কৌশল পুনৰ ব্যৱহাৰ কৰিলোঁ আৰু আমাৰ সকলো জেট বিমান উৰুৱাই দীৰ্ঘ দূৰত্বৰ লক্ষ্যত আক্ৰমণ কৰিলোঁ। লক্ষ্যণীয়ভাৱে অপাৰেশ্যন সেন্দুৰৰ পাছত ভাৰতৰ সামৰিক লোকচানক লৈ ঘৰুৱা-আন্তঃৰাষ্ট্ৰীয় দুয়োটা দিশতে তীব্ৰ ৰাজনৈতিক হেঁচাৰ সৃষ্টি হোৱাৰ সময়তে এই গুৰুত্বপূৰ্ণ মন্তব্য কৰে চিডিএছ জেনেৰেল চৌহানে। আনহাতে, ২৮ মে’ বুধবাৰে আজাৰবাইজানৰ লাচিন চহৰত আজাৰবাইজানৰ স্বাধীনতা দিৱস উপলক্ষে এক অনুষ্ঠানত ভাষণ দি পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফে দাবী কৰে যে যুদ্ধৰ প্ৰথম দিনাই পাক বায়ুসেনাই চাৰিখন ৰাফেলকে ধৰি ছখন ভাৰতীয় জেট বিমান ভূপতিত কৰিবলৈ সক্ষম হয়। কিন্তু চাৰিদিনীয়া সংঘাতৰ সময়ত আৰু তাৰ পিছত ভাৰতীয় বিদেশ সচিব বিক্ৰম মিশ্ৰী আৰু এয়াৰ অপাৰেচনৰ সঞ্চালক প্ৰধান এয়াৰ মাৰ্শ্বাল এ কে ভাৰতীয়ে যুদ্ধ বিমানৰ ক্ষয়-ক্ষতিৰ খবৰ ৰাজহুৱাভাৱে অস্বীকাৰ কৰাৰ পৰা বিৰত থাকে। সেই সময়ত তেওঁলোকে যুক্তি দিয়ে যে দুয়োখন দেশ এতিয়াও যুদ্ধৰ অৱস্থাত আছে, গতিকে বিতং তথ্য প্ৰকাশ কৰাটো সম্ভৱ নহয়। লক্ষ্যণীয়ভাৱে, ৰাজনৈতিক মহলত এই বিতৰ্ক আৰম্ভণিৰে পৰাই উত্তপ্ত হৈ পৰিছিল। এই সামৰিক অভিযানৰ সময়ত ক্ষয়-ক্ষতিৰ বিষয়ে চৰকাৰক বাৰে বাৰে প্ৰশ্ন কৰি আহিছিল কংগ্ৰেছ সাংসদ তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীসহ বহু বিৰোধীয়ে। কিন্তু সেই সময়ত ভাৰত চৰকাৰ আৰু শাসকীয় বিজেপিয়ে ৰাহুলৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ পৰা আঁতৰি থকা পৰিলক্ষিত হয়। এনে প্ৰশ্নৰ বাবে ৰাহুল গান্ধীক 'পাকিস্তানৰ পক্ষ লোৱা' আৰু দেশৰ নিৰাপত্তা আৰু সশস্ত্ৰ বাহিনীৰ মনোবল হ্ৰাস কৰা বুলিও তীব্ৰ সমালোচনা কৰে ভাৰতীয় জনতা পাৰ্টিয়ে। কিন্তু এতিয়া আন্তঃৰাষ্ট্ৰীয় মঞ্চত চিডিএছ চৌহানে বায়ুসেনাৰ লোকচান প্ৰত্যক্ষভাৱে স্বীকাৰ কৰা কাৰ্যই ৰাজনৈতিক মহলত এক নতুন প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। দীৰ্ঘদিন ধৰি বিৰোধীৰ প্ৰশ্নৰ সন্মুখত চৰকাৰে বিতং তথ্য দিবলৈ অনিচ্ছুক হৈ থকাৰ সময়তে চিডিএছৰ এই বক্তব্যই বিৰোধীক এক নতুন অস্ত্ৰ প্ৰদান কৰিছে। ক্ষতিৰ সবিশেষ, কিয় ক্ষতি হৈছে, ইয়াৰ বাবে কোন দায়ী সেই সন্দৰ্ভত চৰকাৰৰ পৰা সম্পূৰ্ণ স্বচ্ছতা আৰু জবাবদিহিতাৰ দাবী এতিয়া তীব্ৰতৰ কৰাৰ আশা কৰা হৈছে। ইতিমধ্যে উক্ত মন্তব্যৰ পিছতে মল্লিকাৰ্জুন খাৰ্গেই চৰকাৰে দেশবাসীক বিভ্ৰান্ত কৰিছে বুলি দাবী কৰিছে। সামৰিক মুৰব্বীগৰাকীৰ এই স্পষ্টবাদীতাই এফালে সামৰিক বাহিনীৰ ভুলৰ পৰা শিকিবলৈ ইচ্ছাক উজ্জ্বল কৰি তুলিছে যদিও আনফালে চৰকাৰৰ বাবে ৰাজনৈতিকভাৱে স্পৰ্শকাতৰ এক অধ্যায় পুনৰ মুকলি কৰি দিছে, যিয়ে অনাগত দিনত ৰাষ্ট্ৰীয় নিৰাপত্তা আৰু সামৰিক স্বচ্ছতাৰ ওপৰত ৰাজনৈতিক বিতৰ্কৰ গতিপথত বহু পৰিমাণে প্ৰভাৱ পেলাব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিদেশী খেদা নাটকৰ অন্ত, সীমান্তৰ

পুছ বেক কৰা ৬৫ গৰাকী সন্দেহযুক্ত নাগৰিকক ঘূৰাই ল’বলৈ বাধ্য হ’ল ভাৰতে। এই অনুযায়ী 'অবৈধ বাংলাদেশী’ৰ সন্দেহত বন্দী হৈ থকা মৰিগাঁৱৰ প্ৰাক্তন শিক্ষক খাইৰুল ইছলামকো সীমাৰ ইপাৰলৈ লৈ অহা হয়। সন্দেহযুক্ত নাগৰিকসকলৰ এই প্ৰত্যাৱৰ্তনে ৰাজ্য চৰকাৰৰ নাগৰিকত্ব পৰীক্ষণ প্ৰক্ৰিয়া আৰু আইন প্ৰয়োগৰ নীতিক লৈ এক নতুন আৰু গুৰুতৰ প্ৰশ্নৰ উত্থাপন কৰিছে। উল্লেখ্য যে, ২৪ মে’ত মৰিগাঁৱৰ বিভিন্ন প্ৰান্তৰ পৰা খাইৰুল ইছলামৰ লগতে আন ৮ জন লোকক আটক কৰা হৈছিল। অৱশ্যে তেওঁলোকৰ পৰিয়ালৰ অভিযোগ যে তেওঁলোকক আটক কৰাৰ পিছৰে পৰা তেওঁলোকৰ অৱস্থান সম্পৰ্কে কোনো তথ্য প্ৰদান কৰা হোৱা নাই। ইফালে ইছলামৰ পৰিয়ালে দাবী কৰে যে তেওঁলোকে তেওঁক বাংলাদেশলৈ লৈ যোৱাটো এটা ভিডিঅ’ত দেখিছিল, আনকি দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তত তেওঁৰ ওপৰত “গুলীচালনা কৰা” বুলিও অভিযোগ উত্থাপন হয়। কিন্তু অৱশেষত শনিবাৰে পুনৰ আৰক্ষীয়ে তেওঁক ঘৰলৈ লৈ যায়। সীমান্ত আৰক্ষীৰ এগৰাকী বিষয়াই কয় যে তেওঁৰ স্বাস্থ্য পৰীক্ষা কৰা হৈছে আৰু তেওঁ শাৰীৰিকভাৱে সুস্থ। অৱশ্যে তেওঁক ক’ত আটক কৰা হৈছিল সেই সন্দৰ্ভত আৰক্ষীয়ে ৰহস্যজনকভাৱে মৌনতা অৱলম্বন কৰিছে। ইতিমধ্যে ইছলামৰ সৈতে আটক কৰা ৮ জন লোকক গোৱালপাৰা জিলাৰ মাটিয়া ডিটেনচন চেণ্টাৰলৈ প্ৰেৰণ কৰা হৈছে। তেওঁলোকৰ পৰিয়ালৰ দাবী, আঠজনৰ আপীল হয় উচ্চতম ন্যায়ালয়ত, নহয় গুৱাহাটী উচ্চ ন্যায়ালয়ত বিচাৰাধীন হৈ আছে। ইফালে, শুকুৰবাৰে সন্দেহযুক্ত বাংলাদেশী খাইৰুল ইছলামৰ পত্নী ৰীতা খানমে কয় যে তেওঁৰ স্বামী এগৰাকী প্ৰাক্তন স্কুল শিক্ষক আৰু দেশৰ আইন-শৃংখলা পালনকাৰী নাগৰিক। তেওঁ অভিযোগ কৰে যে নিশা আৰক্ষী বিষয়াই তেওঁলোকৰ ঘৰলৈ আহি খাইৰুলক লৈ যায়। সেই সময়ত কিছু সোধা-পোছা কৰি ঘৰলৈ আহিবলৈ দিয়া হ’ব বুলিও কৈছিল আৰক্ষীয়ে। কিন্তু তাৰ পিছৰে পৰা তেওঁৰ অৱস্থানৰ কোনো তথ্য পৰিয়ালটোক দিয়া হোৱা নাছিল বুলি অভিযোগ কৰে পৰিয়ালে। উল্লেখ্য যে, খাইৰুল ইছলাম আৰু তেওঁৰ তিনি ভাতৃ-ভগ্নীক ২০১৬ চনত বিদেশী ন্যায়াধিকৰণে ‘বিদেশী’ বুলি ঘোষণা কৰিছিল। এই ৰায়ৰ বিৰুদ্ধে তেওঁ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাষ চাপিছিল। ২০১৮ চনত উচ্চ ন্যায়ালয়ে এফ টিৰ সিদ্ধান্ত মানি লোৱাৰ পিছতে ইছলামক গ্ৰেপ্তাৰ কৰা হয়। পৰৱৰ্তী সময়ত উচ্চতম ন্যায়ালয়ৰ সাধাৰণ নিৰ্দেশত ২০২০ চনত দুবছৰতকৈ অধিক সময় আটক কৰি ৰখাৰ পিছত তেওঁক মুকলি কৰি দিয়া হয়। খানমে দাবী কৰে যে এফ টিৰ সিদ্ধান্তৰ বিৰুদ্ধে স্বামীৰ আবেদন এতিয়াও উচ্চতম ন্যায়ালয়ত বিচাৰাধীন হৈ আছে। ইছলামৰ মাতৃ জাহানাৰা যোৱা কাৰ্যকালত গাঁও পঞ্চায়তৰ সদস্য আছিল বুলি পৰিয়ালটোৱে দাবী কৰিছে। একেদৰে সদ্য সমাপ্ত পঞ্চায়ত নিৰ্বাচনত প্ৰাক্তন শিক্ষককে ধৰি পৰিয়ালৰ সকলো সদস্যই ভোটদানো কৰিছিল। আনহাতে, সৰুপথাৰৰ বয়োজ্যেষ্ঠ মহিলা ৰহিমা বেগমক আজি আৰক্ষীয়ে ঘৰলৈ লৈ আহে। ঘৰত উপস্থিত হৈ ৰহিমাই কান্দি কান্দি এইকেইদিন সন্মুখীন হোৱা নৰক যন্ত্ৰণাৰ কথা সংবাদিকৰ আগত বৰ্ণনা কৰে। আৰক্ষীয়ে সংবাদ মাধ্যমক সকলো কথা মুখ খুলি কবলৈ মানা কৰাৰ কথাও জনায় ৰহিমাৰ পৰিয়ালে। এনেদৰে এতিয়া বাংলাদেশীৰ নামত স্বদেশী লোককো ধৰি-বান্ধি পুশ্ববেক কৰা কাৰ্যই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ইফালে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বাৰে বাৰে এই ঘোষণা কৰি আহিছে যে ৰাজ্যত বিদেশী চিনাক্তকৰণৰ প্ৰক্ৰিয়া ক্ষিপ্ৰ কৰা হ’ব আৰু আইন অনুসৰি ‘ঘোষিত বিদেশী নাগৰিক’ (ডিএফএন)ৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ’ব। ন্যায়াধিকৰণে বিদেশী ঘোষণা কৰাসকলৰ বাবে উচ্চ ন্যায়ালয়ত আবেদনৰ পথ মুকলি বুলিও মুখ্যমন্ত্ৰীয়ে কয়। কোনোবাই যদি দাবী কৰে যে তেওঁলোকৰ আবেদন উচ্চতম ন্যায়ালয় বা উচ্চ ন্যায়ালয়ত বিচাৰাধীন হৈ আছে, তেন্তে তেওঁলোকৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা নহ’ব। কিন্তু যিসকলে উচ্চ ন্যায়ালয়ত আবেদন কৰা নাই তেওঁলোকক শীঘ্ৰে পুছবেক কৰা হ’ব বুলি ঘোষণা কৰে মুখ্যমন্ত্ৰীয়ে। তেওঁ স্পষ্টকৈ উল্লেখ কৰিছে যে এবাৰ ন্যায়াধিকৰণে এজন ব্যক্তিক বিদেশী বুলি ঘোষণা কৰিলে আৰু সেই সিদ্ধান্তক আদালতত প্ৰত্যাহ্বান জনোৱা নহ’লে তেওঁলোকৰ অসমত থকা ‘অধিকাৰ’ জব্দ হব। খাইৰুল ইছলামৰ ঘৰলৈ উভতি অহা আৰু একেলগে আন আঠজনক ডিটেনচন চেণ্টাৰলৈ প্ৰেৰণ কৰা - এই ঘটনাবোৰে ৰাজ্যৰ নাগৰিকত্ব পৰীক্ষণ আৰু পুছবেক নীতিৰ জটিলতা আৰু মানৱীয় মাত্ৰাক সন্মুখলৈ আনিছে, যিয়ে বিতৰ্কক তীব্ৰতৰ কৰি তুলিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰণভূমিত সেনাপতি! অসমত কংগ্ৰেছৰ

কৰিছিল মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। দুবছৰ পূৰ্বে বাচ্চা ল'ৰা আখ্যা দিয়া সেই গৌৰৱ গগৈয়ে আজি কংগ্ৰেছৰ সেনাপতিৰ দায়িত্ব লৈ দিল্লীৰ পৰা কলকাতা হৈ ভৰি থয়হি যোৰহাটত। গৃহ চহৰ যোৰহাটত উপস্থিত হোৱা অসম প্ৰদেশ কংগ্ৰেছৰ নৱ নিযুক্ত সভাপতিগৰাকীক আদৰিবলৈ বৰষুণকো নেওচি ৰাজপথত ভিৰ কৰে অসংখ্যা সমৰ্থক আৰু কংগ্ৰেছ নেতা-কৰ্মীয়ে। অগণন লোকৰ উষ্ম আদৰণিত আপ্লুত হৈ পৰা গৌৰৱ গগৈয়ে কয়, "আজি ৰাইজে ৰাইজে যেনেদৰে স্বাগতম জনাইছে তাৰ পৰা সাহস পাইছো। প্ৰেৰণা পাইছো। আগলৈ কাম কৰাৰ প্ৰেৰণা পাইছো।" উল্লেখ্য যে যোৰহাটত উপস্থিত হোৱাৰ সময়ত গৌৰৱৰ সৈতে আছিল বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়া, কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰ, ৰ'জলীনা তিৰ্কী আৰু প্ৰদীপ সৰকাৰ। স্থানীয় ৰাইজৰ প্ৰতি গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰি তেওঁ আৰু কয়, "আজি আমি আহিছো যোৰহাটলৈ। এয়া মোৰ জন্মস্থান, য'ৰ পৰা মোৰ পিতৃয়ে ৰাজনীতি আৰম্ভ কৰিছিল। তেওঁৰ আশীৰ্বাদ বিচাৰিছো। তেওঁ য'তেই আছে তাৰ পৰা আমাক আশীৰ্বাদ কৰিব বুলি আশা কৰিছো। আমি সদায় যোৰহাটবাসীৰ প্ৰতি কৃতজ্ঞ হৈ থাকিম।" অসমবাসীয়ে বিশেষকৈ সাম্প্ৰতিক লোকসভা নিৰ্বাচনত দেখুওৱা সমৰ্থনে কংগ্ৰেছৰ সংকল্প অধিক দৃঢ় কৰিছে বুলি উল্লেখ কৰি গৌৰৱ গগৈয়ে আৰু কয় যে আমি যোগ্য নোহোৱাহেঁতেন, দলে আমাৰ ওপৰত এনেকুৱা দায়িত্ব নিদিয়েহেঁতেন। আমি অসমবাসীক ধন্যবাদ জ্ঞাপন কৰিছো যে তেওঁলোকে আমাৰ ওপৰত বিশ্বাস ৰাখিছে। অসমৰ বিভিন্ন অঞ্চলত বিশেষকৈ গুৱাহাটী চহৰত কৃত্ৰিম বানৰ সমস্যা বৃদ্ধি পাৱলৈ ধৰাৰ কথা উল্লেখ কৰি গগৈয়ে কয় যে কংগ্ৰেছ দল অসমবাসীক দুৰ্নীতি, চিণ্ডিকেটৰাজ, ভয়-ভাবুকি আৰু লুটপাটৰ পৰা মুক্ত কৰিবৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ কয়, "আমি আহিছো অসমবাসীৰ আশাবোৰ পূৰণ কৰিবলৈ। লোকসভা নিৰ্বাচন শেষ হোৱাৰ পৰাই আমি ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি আৰম্ভ কৰিছো। তেতিয়াই আমি কৈছিলো যে এতিয়া আমি এই নিৰ্বাচনত মনোযোগ কেন্দ্ৰিত কৰিম।" ইয়াৰ পূৰ্বে, নৱ নিযুক্ত সভাপতিগৰাকীক যোৰহাট বিমান বন্দৰত উপস্থিত হোৱাৰ পিছতে স্থানীয় কংগ্ৰেছ নেতা-কৰ্মী আৰু সমৰ্থকসকলে বিহু আৰু ঝুমুৰ নৃত্যৰে স্বাগতম জনায়। গৌৰৱ গগৈ জিন্দাবাদ শ্লʼগানেৰে গায়ন-বায়নৰ সৈতে দীঘলীয়া গাড়ীৰ শাৰীৰে নাজিৰআলিৰ ঘৰলৈ সমৰ্থকে আদৰি আনে গৌৰৱ গগৈক। অসংখ্যা সমৰ্থকক লগত লৈ গৃহ জিলা তথা নিজ সংসদীয় সমষ্টিত উপস্থিত হৈ প্ৰথমে ঘৰলৈ যায় গৌৰৱ গগৈ। নিজ ঘৰত প্ৰয়াত পিতৃ তৰুণ গগৈৰ প্ৰতিচ্ছৱিত মাল্যৰ্পণ কৰে। এনেদৰে বিমানবন্দৰ, ঘৰ আৰু যোৰহাট ষ্টেডিয়ামত ৰাইজে গৌৰৱ গগৈক বিপুলভাৱে আদৰণি জনোৱা পৰিলক্ষিত হয়। ইফালে, ৰৌৰিয়া বিমানবন্দৰৰ ভিতৰত অভাৱনীয় পৰিৱেশৰ সৃষ্টি হোৱাত এগৰাকী মহিলা সাংবাদিক আঘাতপ্ৰাপ্ত হয়। সাংবাদিকগৰাকীয়ে একাংশ কংগ্ৰেছ কৰ্মীয়ে তেওঁক দুৰ্ব্যৱহাৰ কৰাৰো অভিযোগ তোলে। এই ঘটনাৰ বিষয়ে জানিব পাৰি নৱ-নিযুক্ত সভাপতি গৌৰৱ গগৈয়ে কংগ্ৰেছ কৰ্মীসকলৰ হৈ সাংবাদিকগৰাকীৰ ওচৰত ৰাজহুৱাকৈ ক্ষমা বিচাৰে। তেওঁ কয়, "এয়াৰপৰ্টৰ ভিতৰত ইমান মানুহ হ'ব বুলি আমি ভবা নাছিলো। ভাবিছিলো বাহিৰত মানুহ হ'ব। সেয়ে পৰিকল্পনা নাছিল। যাৰবাবে ঘটনাটো হ'বলৈ পালে। সাংবাদিক বন্ধুসকলৰ আজি যি অসুবিধা হ'ল, তাৰবাবে আমি কংগ্ৰেছ দলৰ পৰা ক্ষমা বিচাৰিছো।" দীঘলীয়া ৰেলী কৰি যোৰহাটত যাত্ৰা কৰাৰ সময়ছোৱাত তেওঁক আদৰিবলৈ অপেক্ষা কৰি থকা সমৰ্থকসকলৰ বাবে কেৱাঠাইতো ৰৈ গৌৰৱ গগৈয়ে সম্বোধন কৰাও পৰিলক্ষিত হয়। কেৱাঠাইতো গৌৰৱ গগৈয়ে গুৱাহাটীৰ কৃত্ৰিম বান, লখিমপুৰৰ বানৰ কথা উল্লেখ কৰি কয় যে বানত কি হৈছে সকলোৱে দেখিছে। লোকসভা নিৰ্বাচনৰ আগৰে পৰাই বিধানসভাৰ বাবে প্ৰস্তুতি চলোৱাৰ কথা উল্লেখ কৰি গৌৰৱ গগৈয়ে কয় যে ২০২৬ত মূল যুঁজখন হ'ব। দলৰ লবীকেন্দ্ৰিক ৰাজনীতি সন্দৰ্ভত গৌৰৱ গগৈয়ে মন্তব্য কৰি কয় যে কংগ্ৰেছত এতিয়া আৰু লবীকেন্দ্ৰিক ৰাজনীতি নাই। কংগ্ৰেছৰ ভিতৰত যদি লবী আছে সেয়া অসমবাসীৰ লবী আছে। এনেদৰে যোৰহাট আৰু তিতাবৰৰ কেৱাঠাইতো ৰাইজৰ আদৰ-সাদৰ গ্ৰহণ কৰি গগৈয়ে নিশা প্ৰায় ১০ বজাত শিৱসাগৰৰ নাজিৰাত উপস্থিত হয়। নাজিৰাত উপস্থিত হৈ বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই আয়োজন কৰা এখন বিশেষ সভাত অংশগ্ৰহণ কৰে নৱনিযুক্ত সভাপতিগৰাকীয়ে। গৌৰৱ গগৈৰ সূত্ৰই সদৰী কৰামতে আজি নিশা নাজিৰাত কটাই কাইলৈ তেওঁ কেবাখনো জনসভাত ভাগ লৈ যোৰহাট, গোলাঘাট হৈ গাড়ীৰে নগাঁৱলৈ আহিব। নগাঁৱতো দল-সংগঠন, ৰাইজৰ লগত মত-বিনিয়ম কৰি এখন জনসভাতো ভাগ ল'ব। ২ জুনত গৌৰৱ গগৈয়ে সদলবলে নগাঁৱৰ পৰা গুৱাহাটী অভিমুখে ৰাওনা হ'ব। ৩ জুনত নতুন সভাপতিগৰাকীয়ে মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সত দলৰ নেতা-কৰ্মীসকলৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰিব। সেইদিনাই গগৈয়ে দলৰ নতুন সভাপতি হিচাপে ৰাজীৱ ভৱনত আনুষ্ঠানিকভাৱে দায়িত্ব গ্ৰহণ কৰিব।

# ডিগবৈত বনৰীয়া হাতী হত্যা কৰি চিকাৰীয়ে কাটি নিলে দাঁত

**ই-সংবাদ বিশেষ, ৩১ মে':** ডিগবৈৰ আপাৰ দিহিং বনাঞ্চলৰ সমীপত সংঘটিত হৈছে এক চাঞ্চল্যকৰ আৰু দুঃখজনক ঘটনা। অঞ্চলটোত এটা পূৰ্ণবয়স্ক বনৰীয়া হাতী মৃত অৱস্থাত উদ্ধাৰ কৰা হৈছে, যাৰ দাঁত দুটা কাটি নিছে চোৰাং চিকাৰীয়ে। মৃত হাতীটোৰ মৰণোত্তৰ পৰীক্ষা ইতিমধ্যে সম্পন্ন কৰা হৈছে বুলি বন বিভাগৰ সূত্ৰে জানিব পৰা গৈছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি চোৰাং ব্যৱসায়ীয়ে হাতীটোক হত্যা কৰি দাঁত কাটি নিছে। হৃদয়বিদাৰক ঘটনা সংঘটিত হোৱাৰ পিছতো বন বিভাগে ঘটনাক গোপনে ৰাখিবলৈ চেষ্টা কৰিছিল বুলি স্থানীয় লোকসকলে অভিযোগ উত্থাপন কৰিছে। ঘটনাৰ খবৰ পোৱাৰ লগে লগে কিছুসংখ্যক প্ৰকৃতিপ্ৰেমী আৰু স্থানীয় সংগঠনে ঘটনাস্থলীত উপস্থিত হৈ বন বিভাগৰ ভূমিকাত প্ৰশ্ন তোলে। প্ৰাকৃতিক সম্পদৰ সুৰক্ষাৰ ক্ষেত্ৰত এইধৰণৰ ঘটনা গভীৰ উদ্বেগৰ কাৰণ হৈ উঠিছে। একাংশ প্ৰকৃতিপ্ৰেমী, স্থানীয় সংগঠন আৰু সচেতন ৰাইজে উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে। দোষীসকলক কঠোৰ শাস্তি দিয়াৰ আহ্বান জনাইছে আৰু এনে ঘটনা পুনৰ যেন সংঘটিত নহয় তাৰ বাবে বন বিভাগে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। উল্লেখযোগ্য যে, আপাৰ দিহিং বনাঞ্চল উত্তৰ-পূব ভাৰতৰ এক গুৰুত্বপূৰ্ণ জীৱ-বৈচিত্ৰ্য সম্পন্ন অঞ্চল, য'ত হাতীৰ লগতে বহু বিপদগ্ৰস্ত প্ৰজাতিৰ বন্য প্ৰাণী দেখা পোৱা যায়। এই অঞ্চলত চোৰাং চিকাৰ আৰু বন সম্পদ লুণ্ঠনৰ ঘটনা বৃদ্ধি পাৱলৈ ধৰাত উদ্বিগ্নতা প্ৰকাশ কৰিছে অঞ্চলটোৰ সচেতনমহলে।

# বানৰ মাজতে নিশা গুৱাহাটীৰ ভূতনাথত নৃশংস হত্যাকাণ্ড

**ই-সংবাদ, জালুকবাৰী, ৩১ মে':** কৃত্ৰিম বানত ডুবিছে গুৱাহাটী মহানগৰী। চৌদিশে হাহাকাৰময় পৰিস্থিতি। তাৰ মাজতে গুৱাহাটী মহানগৰীত সংঘটিত হৈছে এক বৰ্বৰ হত্যাকাণ্ড। মহানগৰীৰ ভূতনাথত এজন লোকক হাতুৰীৰে কোবাই হত্যা কৰাৰ ঘটনা পোহৰলৈ আহিছে। কালি নিশা মদ্যপান কৰি থকাৰ সময়তে পেছাত মিস্ত্ৰী সুনীল শ্বাহ নামৰ লোকজনক হত্যা কৰাৰ অভিযোগ উঠিছে। আজি পুৱা সুনীল শ্বাহৰ মৃতদেহ উদ্ধাৰ হয়। পুৱাই ভৰলুমুখ আৰক্ষীৰ দল উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰিছে। জানিব পৰা মতে, সুনীল শ্বাহে নিশা এজন লোকৰ সৈতে মদ্যপান কৰিছিল। কোনো কথাক লৈ উক্ত লোকজনৰ সৈতে মনোমালিন্য হোৱাত হাতুৰীৰে কোবাই কোবাই হত্যা কৰে সুনীল শ্বাহক। মৃতদেহৰ সৈতে হাতুৰী আৰু সুৰাৰ বটল উদ্ধাৰ হৈছে। হত্যাকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ আৰক্ষীয়ে অভিযান আৰম্ভ কৰিছে। উল্লেখ্য যে, মহানগৰীত সময়ে সময়ে এনেধৰণৰ হত্যাকাণ্ডৰ ঘটনা প্ৰায়েই সংঘটিত হৈ আহিছে।

# তিনিচুকীয়াত ১৫০ গৰাকী হিতাধিকাৰীৰ মাজত ২৪০ টা শ্ৰৱণ যন্ত্ৰ বিতৰণ আই অ' চি এলৰ

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ৩১ মে':** নিগমিত সামাজিক দায়বদ্ধতা (চি এছ আৰ) পদক্ষেপৰ অংশ হিচাপে ইণ্ডিয়ান অইল কৰ্পৰেশ্যন লিমিটেড চমুকৈ আই অ' চি এলৰ ডিগবৈ তেল শোধনাগাৰে জিলা স্বাস্থ্য সমিতি, তিনিচুকীয়াৰ সহযোগত সমগ্ৰ তিনিচুকীয়া জিলাৰ প্ৰায় ১৫০ গৰাকী হিতাধিকাৰীক ২৪০ টা শ্ৰৱণ যন্ত্ৰ বিতৰণ কৰে। অন্ধ্ৰ প্ৰদেশৰ বিজয়াৱাড়াস্থ দীনদয়াল ফাউণ্ডেশ্যনৰ সহযোগত তিনিচুকীয়া চহৰৰ বৰদলৈ নগৰস্থিত তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ সাংস্কৃতিক কেন্দ্ৰৰ প্ৰেক্ষাগৃহত কালি আয়োজিত শ্ৰৱণ যন্ত্ৰ বিতৰণ কাৰ্যসূচী তথা অনুষ্ঠানত আই অ' চি এল (এ অ' ডি)ৰ ডিগবৈ শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালক ৰাহুল প্ৰশান্তৰ উপস্থিতিত দীনদয়াল ফাউণ্ডেশ্যনৰ অধ্যক্ষ ৰেগুলা ৰমঞ্জনেয়ুলু, নেচনেল ফাৰ্টিলাইজাৰ্ছ লিমিটেডৰ প্ৰাক্তন স্বতন্ত্ৰ সঞ্চালক ড° থোটা ভেংকটা সৰ্বৰায়ুডু, আৰ বি এছ কে, এন এইচ এম, ৰাজ্যিক মুখ্য কাৰ্যালয়, অসমৰ পৰামৰ্শদাতা আনন্দ শৰ্মা, তিনিচুকীয়া জিলাৰ সহকাৰী আয়ুক্ত বন্দিত গগৈ আৰু তিনিচুকীয়া জিলাৰ স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক ডাঃ জয়ন্ত ভট্টাচাৰ্যৰ লগতে জিলা আৰু ব্লক পৰ্যায়ৰ স্বাস্থ্য বিষয়াসকল উপস্থিত থাকে। আই অ' চি এল ডিগবৈৰ পৰা ৫০ কি:মি: ব্যাসাৰ্ধৰ ভিতৰত থকা শিশু আৰু প্ৰাপ্তবয়স্কসকলৰ, বিশেষকৈ দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ লোকসকলৰ শ্ৰৱণ ক্ষমতাত অক্ষমতা দূৰ কৰাই উক্ত পদক্ষেপৰ লক্ষ্য বুলি আই অ' চি এল কৰ্তৃপক্ষই জানিবলৈ দিয়ে। অনুষ্ঠানত ভাষণ দি ড০ থোটা ভেংকটা সৰ্বৰায়ুডুৱে এনে পদক্ষেপৰ জটিল প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰি কয় যে এই শ্ৰৱণ যন্ত্ৰসমূহ শ্ৰৱণ ক্ষমতাহীন ব্যক্তিসকলৰ বাবে বিশেষকৈ সৰু শিশুসকলৰ বাবে এক জীৱনৰেখা। আজি তেওঁলোকে লাভ কৰা সহায়ে তেওঁলোকৰ যোগাযোগ দক্ষতা আৰু সামগ্ৰিক জীৱনৰ মানদণ্ড যথেষ্ট উন্নত কৰিব। অনুষ্ঠানত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ ৰাজ্যিক পৰামৰ্শদাতা আনন্দ শৰ্মাই কয়, শ্ৰৱণ ক্ষমতা পুনৰুদ্ধাৰ কৰি আমি আত্মবিশ্বাস আৰু অন্তৰ্ভুক্তি পুনৰুদ্ধাৰ কৰিছোঁ। এই পদক্ষেপে গ্ৰহণকাৰীসকলৰ বাবে সামাজিক যোগাযোগ, শিক্ষা আৰু নিয়োগৰ সুযোগত ইতিবাচক প্ৰভাৱ পেলাব। জিলা স্বাস্থ্যসেৱাৰ যুটীয়া সঞ্চালক ডাঃ জয়ন্ত ভট্টাচাৰ্যই উল্লেখ কৰে যে এনে শ্ৰৱণ যন্ত্ৰ বিতৰণ কাৰ্যসূচী শ্ৰৱণ ক্ষমতা হেৰুৱা ব্যক্তিসকলক বিশেষকৈ অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ ব্যক্তিসকলক অত্যাৱশ্যকীয় সহায় আগবঢ়াবলৈ ৰচনা কৰা হৈছে। তেওঁ কয় যে এই পদক্ষেপসমূহৰ লক্ষ্য হৈছে আৰ্তজনৰ বাবে বিশেষকৈ কম আয়ৰ গোটসমূহৰ বাবে শ্ৰৱণ যন্ত্ৰৰ সুবিধা নিশ্চিত কৰা। এনে কাৰ্যসূচীসমূহ প্ৰায়ে বিনামূলীয়া শিবিৰ, চৰকাৰী আঁচনি বা এন জি অ' আৰু কৰ্পৰেট অংশীদাৰৰ সৈতে সহযোগিতাৰ জৰিয়তে ৰূপায়ণ কৰা হয়, যাৰফলত তৃণমূল পৰ্যায়ত প্ৰসাৰ আৰু প্ৰভাৱ বৃদ্ধি পায় বুলিও তেখেতে উল্লেখ কৰে।

## প্লাৱিত কচুৱাৰ বিস্তীৰ্ণ অঞ্চলঃ বহু ঘৰ-দুৱাৰ, কৃষিভূমি পানীৰ তলত

# নগাঁৱৰ দক্ষিণ-পশ্চিমাঞ্চলত বানৰ তাণ্ডৱ

**ই-সংবাদ, বেবেজীয়া, ৩১ মে':** বিগত তিনিদিন ধৰি পৰি থকা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাতো সৰ্বস্তৰৰ ৰাইজৰ স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হৈ পৰিছে। ইয়াৰ মাজতে জিলাখনৰ দক্ষিণ-পশ্চিমাঞ্চলত বছৰৰ প্ৰথমটো বানৰ তাণ্ডৱে ৰাইজৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। আচলতে, ধাৰাষাৰ বৰষুণৰ বাবেই কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ পাঁচখনকৈ শ্লুইছ গেটেৰে পানী এৰি দিয়াৰ ফলত বৰপানী নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত এনে পৰিস্থিতিৰ উদ্ভৱ হৈছে। বৰপানী নৈৰ বাঢ়নী পানীয়ে কালি নিশাটোৰ ভিতৰতে বুৰাই পেলাইছে কচুৱাৰ বিস্তৃৰ্ণ অঞ্চল। বৰপানী নদীৰ ভগ্ন মথাউৰিৰে হুৱাহুৰে পানী সোমাই প্লাৱিত কৰিছে মাধৱপাৰা, জুৰিৰপাৰ, জাৰণি, পদুমনি, শিঙিমাৰী, লংজাপকে ধৰি বহুকেইটা অঞ্চল। বহুলোকৰ ঘৰ-দুৱাৰ পানীয়ে বুৰাই পেলোৱাত নিৰাপদ আশ্ৰয়ৰ সন্ধানত ঢাপলি মেলিছে ভুক্তভোগী লোকসকল। আনকি, পানীৰ ঢল বৃদ্ধি পাই দাঁতি-কাষৰীয়া অঞ্চলৰ বাসিন্দাসকলৰ ঘৰ-



বাৰীত হুৱাহুৰে বাঢ়নী পানী সোমোৱা বুলি জানিব পৰা গৈছে। এনে পৰিস্থিতিত এতিয়া নিৰাপদ ঠাই বিচাৰি বানাক্ৰান্তৰ মাজত হুৱাদুৱা লাগিছে। তদুপৰি বাঢ়নী পানীয়ে উক্ত অঞ্চলবোৰৰ হাজাৰ হাজাৰ বিঘা কৃষিভূমি বিনষ্ট কৰাত কৃষকসকলে ত্ৰাহি মধুসূদন সোঁৱৰিছে। ঠিক সেইদৰে জুৰিৰপাৰ, মাধৱপাৰা অঞ্চলৰ বহুকেইটা পথৰ ওপৰেদি পানী বাগৰি যোৱাত যাতায়াত ব্যৱস্থা ব্যাহত হৈ পৰিছে। জানিব পৰা মতে, মাধৱপাৰা-জুৰিৰপাৰ সংযোগী পথৰ লগতে শিঙিমাৰীৰ পৰা পণ্ডিতঘাট সংযোগী পথৰ ওপৰেদি পানী বাগৰিবলৈ ধৰাত ৰাইজৰ মাজত ব্যাপক সমস্যাৰ সৃষ্টি হৈছে। ইফালে, আজি পুৱাৰপৰা বৰষুণ হ্ৰাস পাইছিল যদিও পুনৰ বিয়লি ভাগৰপৰা কিনকিনিয়া বৰষুণ পৰিবলৈ ধৰাত বান পৰিস্থিতি অধিক জটিল হৈ পৰাৰ আশংকাত নদীপৰীয়া লোকসকলক স্বাভাৱিকতেই শংকিত কৰি তুলিছে।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# কামৰূপ জিলাত বান প্ৰস্তুতিৰ পৰ্যালোচনা কৰিলে মন্ত্ৰী কেশৱ মহন্তই

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ৩১ মে':** বান পৰিস্থিতিৰে মোকাবিলা কৰিবৰ বাবে ফলপ্ৰসূ পৰিকল্পনা প্ৰস্তুত কৰিবলৈ আজি কামৰূপ জিলা প্ৰশাসনক নিৰ্দেশ প্ৰদান কৰে ৰাজ্য চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই । সাধাৰণতে প্ৰতিবছৰে বানপানীৰ সন্মুখীন হৈ অহা অঞ্চলসমূহৰ লগতে বানৰ সন্মুখীন হ'ব পৰা সম্ভাব্য অন্যান্য এলেকাত জৰুৰীকালীন বান পৰিস্থিতিৰে মোকাবিলা কৰাৰ বাবে সুকীয়া সুকীয়াকৈ পৰিকল্পনা প্ৰস্তুতৰ নিৰ্দেশ দিয়ে মন্ত্ৰী কেশৱ মহন্তই। আজি মন্ত্ৰীগৰাকীয়ে কামৰূপ জিলাৰ আমিনগাঁওস্থিত সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন সভাত বান প্ৰস্তুতিৰ পৰ্যালোচনা কৰি এই নিৰ্দেশ প্ৰদান কৰে। তেওঁ সভাত জিলাখনৰ ৰাজহ চক্ৰ বিষয়াসকলক ক্ষেত্ৰভিত্তিক অধ্যয়নৰ ওপৰত নিৰ্ভৰ কৰি সুকীয়া সুকীয়াকৈ এনে পৰিকল্পনা প্ৰস্তুত কৰিবলৈও নিৰ্দেশ প্ৰদান কৰে। মন্ত্ৰীগৰাকীয়ে লগতে জিলাখনত থকা মথাউৰিসমূহ সবল কৰি ৰখাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। বানৰ ক্ষতি সমীক্ষা কৰিবলৈ যোৱাৰ সময়ত জিলা প্ৰশাসন বা ৰাজহ চক্ৰ কাৰ্যালয়ৰ দলৰ সৈতে ন্যূনতম ১০০ গৰাকী লোকৰ বান সাহাৰ্য থকাতো নিশ্চিত কৰিবলৈও মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ প্ৰদান কৰে। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ প্ৰধান সচিব জ্ঞানেন্দ্ৰ দেৱ ত্ৰিপাঠীৰ সৈতে আজি পৰ্যালোচনা সভাত উপস্থিত থাকি মন্ত্ৰীগৰাকীয়ে কামৰূপ জিলাত সম্ভাব্য বান পৰিস্থিতিৰে মোকাবিলা কৰাৰ বাবে জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ তথা অন্যান্য বিভাগসমূহ যেনে, লোক নিৰ্মাণ বিভাগ, শিক্ষা, জনস্বাস্থ্য কাৰিকৰী, জলসম্পদ, স্বাস্থ্য, পশুপালন আৰু পশুচিকিৎসা, কৃষি আদি বিভাগে প্ৰস্তুত কৰা পৰিকল্পনা আৰু এইপৰ্যন্ত পৰিকল্পনা অনুযায়ী হাতত লোৱা ব্যৱস্থাৱলীৰো পৰ্যালোচনা কৰে। সভাত কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই বান প্ৰস্তুতিৰ অংশ হিচাবে জিলাখনত ১১ টা ৰাজহ চক্ৰৰ অধীনত ৪১১ টা আশ্ৰয় শিবিৰ চিনাক্ত কৰা হৈছে আৰু সাহাৰ্য অভিযানৰ বাবে এছ ডি আৰ এফৰ ইউনিট সাজু কৰি ৰখা হৈছে বুলি জনোৱাৰ লগতে অন্যান্য ব্যৱস্থাৱলী সন্দৰ্ভত বিস্তৃত ব্যাখ্যা আগবঢ়ায়। সভাত জলসম্পদ বিভাগক জৰুৰীকালীন বান পৰিস্থিতিত কাম কৰিবলৈ সকলো প্ৰকাৰে সাজু থাকিবলৈ নিৰ্দেশ প্ৰদান কৰা হয়। পশুপালন আৰু পশুচিকিৎসা বিভাগক পৰ্যাপ্ত পৰিমাণত পশুখাদ্য মজুত ৰখাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু কৃষি বিভাগক পৰিস্থিতিৰ সৈতে খাপখোৱাকৈ ৰাইজক কঠীয়া যোগান বা আন কাৰিকৰী সহযোগিতা আগবঢ়াবলৈ নিৰ্দেশ প্ৰদান কৰা হয়। সভাত জনস্বাস্থ্য কাৰিকৰী, এ পি ডি চি এল আদি বিভাগে বানপানীৰ সময়ত প্ৰয়োজন সাপেক্ষে বিশুদ্ধ খোৱাপানী যোগান, অস্থায়ী প্ৰসাৰগাৰ-শৌচাগাৰ স্থাপন, ব্লিচিঙ পাউদাৰ যোগান, বিদ্যুৎ যোগান ব্যাহত হ'লে ল'বলগীয়া জৰুৰীকালীন ব্যৱস্থাৱলীৰ পৰ্যালোচনা কৰা হয়। আজিৰ সভাত মন্ত্ৰীগৰাকীয়ে মিছন বসুন্ধৰা ৩.০ ৰ অধীনত কামৰূপ জিলাত চলি থকা কামৰো খতিয়ান গ্ৰহণ কৰে। সভাত ৰঙিয়া বিধানসভা সমষ্টিৰ বিধায়ক ভবেশ কলিতা, কমলপুৰ বিধানসভা সমষ্টিৰ বিধায়ক দিগন্ত কলিতা, পলাশবাৰী বিধানসভা সমষ্টিৰ বিধায়ক হেমাঙ্গ ঠাকুৰীয়া, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ প্ৰধান সচিব জ্ঞানেন্দ্ৰ দেৱ ত্ৰিপাঠী, কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক ৰঞ্জন ভুঞা, কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, কামৰূপৰ জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্ত, অতিৰিক্ত জিলা আয়ুক্তসকল ক্ৰমে গৰ্গমোহন দাস, কমল বৰুৱা, সুজাতা গগৈ, মুনমী কলিতা, প্ৰাণজিত কুমাৰ দেৱ, ৰঙিয়াৰ সম জিলা আয়ুক্ত দেৱাশিস গোস্বামী আৰু বিভিন্ন বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

# বিধ্বস্ত ৰঙিয়া মহাবিদ্যালয় পথত ছাত্ৰ-ছাত্ৰীৰ দুৰ্ভোগ, পুখুৰীসদৃশ প্ৰকাণ্ড প্ৰকাণ্ড গাঁতে ব্যাহত কৰিছে যাতায়াত

**ই-সংবাদ, ৰঙিয়া, ৩১ মে':** ৰঙিয়া নগৰৰপৰা বনগাওস্থিত ৰঙিয়া মহাবিদ্যালয় আৰু ৰঙিয়া মহকুমা অসামৰিক চিকিৎসালয়লৈ যাতায়াত কৰা গুৰুত্বপূৰ্ণ পথচোৰাত প্ৰকাণ্ড গাঁতৰ সৃষ্টি হোৱাত ব্যাপক অসুবিধাৰ সন্মুখীন হৈছে ছাত্ৰ-ছাত্ৰী, ৰোগীৰ লগতে সৰ্বসাধাৰণ ৰাইজ। বিপদজনকভাৱে দৈনিক চিকিৎসালয়লৈ অহা-যোৱা কৰা ৰোগীৰ বাবে হৈ পৰিছে পথটো নৰক যন্ত্ৰণাৰ পথ। বহু প্ৰতিবাদ, বহুবাৰ স্মাৰক-পত্ৰ প্ৰদান কৰাৰ পিছতো বৰ্তমানলৈকে সুচল নহ'ল গুৰুত্বপূৰ্ণ জনব্যস্ত পথটো। প্ৰস্তাৱিত উৰণীয়া সেঁতু নিৰ্মাণৰ গইনা লৈ লোকনিৰ্মাণ বিভাগে পথটো সম্পূৰ্ণকৈ মেৰামতি নকৰাত আহুকালত পৰিছে ৰঙিয়া মহাবিদ্যালয়লৈ যোৱা ছাত্ৰ-ছাত্ৰীৰ লগতে ৰঙিয়া মহকুমা অসামৰিক চিকিৎসালয়লৈ যোৱা ৰুগীয়া লোকসকল। পথটোৰ এনে সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সমাজে কেইবাবাৰো ৰঙিয়া লোকনিৰ্মাণ পথ সংমণ্ডলৰ বিষয়াক স্মাৰক-পত্ৰ প্ৰদান কৰি মেৰামতি কৰাৰ বাবে অনুৰোধ



জনাইছিল যদিও বৰ্তমানলৈ বিভাগটোৱে কোনোধৰণৰ গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাই। জানিব পৰা মতে, বিভাগীয়ভাৱে পথটো আহল-বহলকৈ নিৰ্মাণৰ উদ্যোগ গ্ৰহণ কৰিছে যদিও শামুকীয়া গতিত কাম আৰম্ভ হৈছে। ইফালে, উৰণীয়া সেঁতু নিৰ্মাণৰ অজুহাত দেখুৱাই বাকী অংশৰ কাম নকৰাত পথৰ মাজতে প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ সৃষ্টি হৈছে। আনকি পথৰ প্ৰায় ১৫ মিটাৰ অংশ বছৰটোৰ ১০ মাহেই পানীত সম্পূৰ্ণ ডুবি থকাৰ ফলত বৃহৎ পুখুৰী সদৃশ হৈ পৰিছে। এনে সময়তে ছাত্ৰ-ছাত্ৰীসকলে বৰষুণ বতৰত হাতত জোতা-চেণ্ডেল লৈ পাৰ হ'বলগাত পৰিছে। ইফালে, ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সমাজে বিভাগীয় কৰ্তৃপক্ষক অচিৰেই পথটোৰে যাতায়াত ব্যৱস্থা সুচল কৰি তোলাৰ বাবে আহ্বান জনাইছে। অন্যথা বিভাগটোৰ কাৰ্য্যলয়ৰ সন্মুখত তীব্ৰ প্ৰতিবাদী কাৰ্য্যসূচী গ্ৰহণ কৰাৰ হুংকাৰ দিয়ে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# হোজাই জিলা সাহিত্য সভাৰ ধঁপাত বৰ্জন দিৱস উদযাপন

**ই-সংবাদ, মোৰাঝাৰ, ৩১ মে':** সমগ্ৰ দেশৰ লগতে হোজাই জিলা সাহিত্য সভায়ো আজি উদযাপন কৰে ধঁপাত বৰ্জন দিৱস। মানৱ জাতিৰ প্ৰতি ভয়াৱহতাৰ সৃষ্টি কৰা ধঁপাত জাতীয় দ্ৰব্য বৰ্জনৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবে অসম সাহিত্য সভাৰ আন আন জিলাৰ লগতে হোজাই জিলা সাহিত্য সভায়ো পালন কৰে এই বিশেষ দিৱস। উল্লেখ্য যে ঐতিহ্যমণ্ডিত নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজিত এই অনুষ্ঠান জিলা সম্পাদক অচ্যুৎ ঠাকুৰীয়াই আঁতধৰে আৰু আৰম্ভণী ভাষণ প্ৰদান কৰে নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ফাইজ মোহাম্মদ বৰভূঞাই। জিলা সভাপতি পদ্মকান্ত বৰাৰ সঞ্চালনাত হোৱা সভাত সমল ব্যক্তি হিচাপে লংকা মহাবিদ্যালয়ৰ অধ্যাপক ড° ইফিতাকাৰ হুছেইন উপস্থিত থাকি এক তত্বগধুৰ বক্তব্য প্ৰদান কৰে। লগতে এই অনুষ্ঠানত জিলা সম্পাদক অচ্যুৎ ঠাকুৰীয়া, সহঃ সম্পাদকদ্বয় ছাদিকুজ জামান, প্ৰতাপ বৰুৱা, প্ৰকাশন সচিব পুষ্প বৰা, যমুনাপৰীয়া শাখাৰ সম্পাদক আবু ছুফিয়ান, নীলবাগান শাখাৰ সভাপতি শ্বাহনেৱাজ হুছেইন, সম্পাদক বাচিত আলম চৌধুৰীকে ধৰি ভালেমান অতিথি উপস্থিত থাকে। ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থকা এই অনুষ্ঠানত সদ্যউন্মোচিত এটি সজাগতা গীত শুনোৱা হয়। শেষত অসম সংগীতেৰে সভাৰ সামৰণি পৰে।

# গোলকগঞ্জত ড্ৰাগছসহ আটক দুই সৰবৰাহকাৰী

**ই-সংবাদ, গোলকগঞ্জ, ৩১ মে':** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত বিচনদৈ তৃতীয় খণ্ড গাঁৱত সন্ধিয়া আৰক্ষীয়ে অভিযান চলাই নিষিদ্ধ ড্ৰাগছ সহ দুজন সৰবৰাহকাৰীক আটক কৰে। আটকাধীন গৌৰীপুৰ থানাৰ গই বজাৰৰ ৰফিক আলীৰ পুত্ৰ নুৰুল হক (২৯) আৰু মধু শৌলমাৰী দ্বিতীয় খণ্ড গাঁৱৰ সামিউল হকৰ পুত্ৰ ছাইজুল ইছলাম (২৭)। গোলকগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱজিত কলিতাৰ নেতৃত্বত আৰক্ষীৰ দল এটাই গোপন খবৰৰ ভিত্তিত অতৰ্কিতে গাঁও খনৰ মিস্ত্ৰীটাৰীত অভিযান চলায়। অভিযানত ড্ৰাগছ সৰবৰাহ কৰিব অহা ড্ৰাগছ মাফিয়া দুজনক আটক কৰে। সিহঁতৰ পৰা আৰক্ষীয়ে ১৯টা কন্টেনাৰত প্ৰায় তেইশ গ্ৰাম ব্ৰাউন ছুগাৰ উদ্ধাৰ কৰে। সৰবৰাহকাৰী দুজনে ব্যৱহাৰ কৰা নম্বৰ প্লেট বিহীন আপাচী বাইক এখনো আৰক্ষী জব্দ কৰে।

# দিনহাটাত বাংলাদেশ অভিমুখী ২৮ বাংলাদেশী আটক পশ্চিমবংগ আৰক্ষীৰ



**ই-সংবাদ, গোলকগঞ্জ, ৩১ মে':** বাংলাদেশী বিতাৰণ অকল অসমতে নহয় সমগ্ৰ দেশতে আৰম্ভ হৈছে। অইন ৰাজ্যৰ পৰা গোপনে আহি চুবুৰীয়া ৰাজ্য পশ্চিমবংগৰ কোচবিহাৰ জিলাৰ দিনহাটাৰ ভাৰত বাংলাদেশ সীমান্তৰে স্বদেশলৈ উভতিব খোজা ২৮ জন বাংলাদেশীক শুকুৰবাৰ নিশা দিনহাটাৰ বিভিন্ন স্থানৰ পৰা পশ্চিমবংগ আৰক্ষীয়ে আটক কৰা ঘটনাই জিলাখনত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। আৰক্ষী সূত্ৰে জানিব পৰা মতে, বাংলাদেশী লোকসকল বিভিন্ন সীমান্তৰে প্ৰবেশ কৰি হাৰিয়ানাৰ ইটা ভাটাত কৰ্মৰত হৈ আছিল। বাংলাদেশীৰ বিৰুদ্ধে ভাৰতে কঠোৰ ব্যৱস্থাগ্ৰহণৰ পিছতে ভয়ত সন্ত্ৰস্ত হৈ ইটা ভাটাৰপৰা পলায়ন কৰে। এই লোকসকল প্ৰথমে বিহাৰ হৈ শিলিগুৰি লৈ আহে। শিলিগুৰিৰ পৰা ৰেলেৰে কোচবিহাৰৰ দিনহাটা লৈ যায়। দিনহাটাৰ বামনহাট, সাহেবগঞ্জ, চৌধুৰীহাট, গীতালদাহ, শীতলকুছিকে ধৰি বৃহত্তৰ এলেকা বাংলাদেশ সংলগ্ন। ইয়াৰে বহু অংশত নদী পথ উন্মুক্ত হৈ আছে। উক্ত অঞ্চলসমূহৰে সুযোগ বুজি বাংলাদেশ গুছি যোৱাৰ উদ্দেশ্যে আহিছিল। পুৱতি নিশা গোপন খবৰৰ ভিত্তিত দিনহাটা আৰক্ষীয়ে আটাইকেইজনকে কৰায়ত্ব কৰে। আটকাধীনসকলৰ ভিতৰত ১১ জন পুৰুষ, ৮ মহিলা আৰু ৯ টা শিশু আছে। আৰক্ষীয়ে আদালতত হাজিৰ কৰি জেল হাজোত প্ৰেৰণ কৰে। তেওঁলোকৰ বিৰুদ্ধে দিনহাটা মহকুমা আদালতত আইনী প্ৰক্ৰিয়া চলি থকা বুলি কোচবিহাৰ জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক কৃষ্ণ গোপাল মিনা সংবাদমেলত সদৰী কৰে।

# অসম সাহিত্য সভাৰ উদ্যোগত লুম্মেৰ দাইৰ ৮৫ সংখ্যক জন্মজয়ন্তী

**ই-সংবাদ, ৩১ মে':** আজি অৰুণাচলপ্ৰদেশৰ পাছিঘাটৰ গান্ধী ছেকেণ্ডেৰী স্কুল তিনিআলিত অসম সাহিত্য সভাৰ উদ্যোগত, পাছিঘাট শাখা সাহিত্য সভাৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে বিশিষ্ট সাহিত্যিক লুম্মেৰ দাইৰ ৮৫ সংখ্যক জন্মজয়ন্তী উদযাপন কৰাৰ লগতে তেখেতৰ আৱক্ষমূৰ্তি উন্মোচন আৰু লুম্মেৰ দাই সাহিত্য বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত কৰা হৈছে। সেই অনুসৰি পুৱা ৯ বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰিব অসম সাহিত্য সভাৰ সভাপতি ডক্টৰ বসন্তকুমাৰ গোস্বামীয়ে। ৯-১৫ বজাত সভাপতিৰদ্বাৰা লুম্মেৰ দাইৰ আৱক্ষমূৰ্তি উন্মোচনৰ পিছতে স্মৃতি তৰ্পণ কৰিব আদি বানে কীবাংৰ সভাপতি টাদুম লিবাং আৰু আদি আগম কীবাংৰ সভাপতি টায়েক টালমে।দিনৰ ১০ বজাত অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীৰ সভাপতিত্বত লুম্মেৰ দাই বঁটা প্ৰদান অনুষ্ঠানত পদ্মশ্ৰী মামং দাইক লুম্মেৰ দাই বঁটা প্ৰদান কৰা হ'ব। বিশিষ্ট সাহিত্যিক তথা অৰুণাচলপ্ৰদেশ লিটাৰেৰী ছচাইটিৰ সভাপতি য়েছে দৰজে ঠংছিয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিবলগীয়া সভাখনত বিশিষ্ট সাহিত্যিক ডক্টৰ নন্দ সিং বৰকলাই নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰিব। বিশিষ্ট লেখক ডঃ অজিত শইকীয়াই আমন্ত্ৰিত অতিথি; অৰুণাচলপ্ৰদেশ ৰাজ্যিক বিজেপিৰ সভাপতি কালিং ময়ং, অৰুণাচলপ্ৰদেশৰ পঞ্চায়তৰাজ আৰু গ্ৰাম্য উন্নয়ন মন্ত্ৰী অজিং টাচিং, স্বাস্থ্যমন্ত্ৰী বিউৰাম ৰাগী, পাছিঘাট বিধানসভা সমষ্টিৰ বিধায়ক টাপি দাৰাং, ৰুকছিন বিধানসভা সমষ্টিৰ বিধায়ক নিনং ইৰিং, মেব' বিধানসভা সমষ্টিৰ বিধায়ক অকেন টায়েং, গেকু মাৰয়াং বিধানসভা সমষ্টিৰ বিধায়ক অনি পাঞ্চাং, কয়ো বিধানসভা সমষ্টিৰ বিধায়ক টাজিৰ কাক্কি, অসমৰ বিহপুৰীয়া বিধানসভা সমষ্টিৰ বিধায়ক অমিয়কুমাৰ ভূঞা, অৰুণাচলপ্ৰদেশৰ প্ৰাক্তন শিক্ষামন্ত্ৰী বচিৰাম চিৰাং, প্ৰাক্তন মন্ত্ৰী লম্ব টায়েং, পূব চিয়াং জিলাৰ উপায়ুক্ত টায়ি টান্নুৱে সন্মানীয় অতিথি আৰু বিশিষ্ট অতিথি হিচাপে অৰুণাচল প্ৰদেশৰ বিশিষ্ট লেখক আৰু পণ্ডিত অচং ইৰিং, বিশিষ্ট লেখক ক্ৰমে বানি দাংগেন, কালিং বৰাং, বিশিষ্ট সমাজ কৰ্মী আৰু উপদেষ্টা অবাং দাই, অৰুণাচলপ্ৰদেশ লিটাৰেৰী ছচাইটিৰ চিয়াং শাখাৰ সভানেত্ৰী পনুং ইৰিং আদিয়ে অংশগ্ৰহণ কৰিব বুলি এক সংবাদ বিজ্ঞপ্তিৰ জৰিয়তে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই জানিবলৈ দিছে।

### ৮ জনীয়া ভূটানী চিকিৎসকৰ দলৰে মঙলদৈত পৰ্যালোচনা, শীঘ্ৰেই বুজাবুজি-পত্ৰত স্বাক্ষৰ

# দৰঙত চলিব ভূটানৰ কৰ্কটৰোগীৰ চিকিৎসা

**ই-সংবাদ, দুনী, ৩১ মে':** ভাৰতৰ চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ কৰ্কটৰোগীৰ চিকিৎসা চলিব দৰঙত। এইলৈ শুক্ৰবাৰে দৰং জিলা কৰ্কট প্ৰতিষ্ঠানত এখন বুজাবুজি-পত্ৰ স্বাক্ষৰিত হয়। লক্ষনীয় যে ভাৰতৰ দৰে ভূটানতো শেহতীয়াভাৱে বৃদ্ধি পাইছে কৰ্কটৰোগ। কিন্তু দৰিদ্ৰ ৰাষ্ট্ৰখনত প্ৰয়োজনীয় চিকিৎসাৰ আন্তঃগাঠনিৰ অভাৱ। ভাৰতৰ সৰহভাগ দৰিদ্ৰ কৰ্কটৰোগীৰ ২০১৪ চনৰ পূৰ্বে অৰ্থাৎ মোডী চৰকাৰ গঠনৰ পূৰ্বে যি দশা হৈছিল, সেই যাতনা ভূটীয়া নাগৰিকেও ভূগিছে। এনে পৰিপ্ৰেক্ষিতত শেহতীয়াভাৱে টাটা কেন্সাৰ ট্ৰাষ্ট আৰু অসম কেন্সাৰ কেয়াৰ প্ৰতিষ্ঠানৰ সহযোগত গঢ়লৈ উঠা কেন্সাৰ কেন্দ্ৰত প্ৰাথমিক চিকিৎসা অথবা চিনাক্তকৰণৰ আনুষংগিক কাম-কাজ সম্পাদিত হব। দৰং কেন্সাৰ কেন্দ্ৰৰ ৰোগী সমন্বয়ক নিৰঞ্জন শইকীয়াই সদৰি কৰা অনুসৰি, ভূটান চৰকাৰৰ স্বাস্থ্য বিভাগৰ ৮ জনীয়া প্ৰতিনিধি দলে এইলৈ দৰং কৰ্কট কেন্দ্ৰত উপস্হিত হৈ অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ উপলব্ধ সুবিধাসমূহ বুজ লোৱাৰ লগতে দৰং কৰ্কট কেন্দ্ৰত উপলব্ধ চিকিৎসা সেৱা সমূহৰ পৰিদৰ্শন কৰে। ভুটানৰ কৰ্কট ৰোগীসকলক অসমৰ কৰ্কট কেন্দ্ৰৰ দ্বাৰা পৰিচালিত দৰং কৰ্কট কেন্দ্ৰত চিকিৎসা কৰোৱাৰ সম্পৰ্কে এক বুজাবুজি চুক্তি কৰোৱাক লৈ আলোচনা কৰে। বিশেষকৈ চুবুৰীয়া ৰাষ্ট্ৰখনৰ দৰং কৰ্কট কেন্দ্ৰ নিলগতে স্থাপিত হোৱাত যাতায়াতৰ সুবিধাও সহজ। ভুটানৰ ৮ জনীয়া দলটোৰ সৈতে দৰং কৰ্কট কেন্দ্ৰৰ অধীক্ষক ডা০ (কৰ্ণেল) চৈয়দ ইফটিখাৰ চোভানী, অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ কাৰ্যকৰী সঞ্চালক ডা০ দীপজ্যোতি দাস, শশাংক শইকীয়া, ডা০ সুব্ৰত চন্দাই বৈঠকত মিলিত হয়। ভুটানৰ ৮ জনীয়া প্ৰতিনিধি দলটোত থিম্ফুৰ চিকিৎসা বিষয়া ডা০ সোনাম টেচৰিং, মেডিচিন বিভাগৰ মুৰব্বী চিকিৎসক ডা০ জিপি ঢকাল, শল্য বিভাগৰ মুৰব্বী চিকিৎসক ডা০ সোনাম ডাৰ্গে, ই.এন.টি বিভাগৰ মুৰব্বী চিকিৎসক ফুব টেচৰিং, স্বাস্থ্য বিষয়া পেমা গায়েলতেচহেন, দৰ্জি ওৱাংচুক, অংকলজি চাৰজন ডা০ প্ৰভাত প্ৰধান আৰু গাইনক'লজিষ্ট ডা০ নামখা দৰ্জি উপস্থিত হৈছিল। ভূটান ৰাজকীয় চৰকাৰৰ সৈতে মেডিকেল পৰ্যটনৰ সম্ভাৱনাৰো আশা ব্যক্ত কৰে অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশনে। কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনে চিকিৎসা সেৱাৰ ক্ষেত্ৰখনৰ বিস্তাৰ আৰু আঞ্চলিক সহযোগিতা বৃদ্ধিৰ সম্ভাৱনাও ব্যক্ত কৰে। উল্লেখ্য যে দলটোৱে ৩ দিনীয়া ভ্ৰমণসূচীৰ অন্তৰ্গত আজি গুৱাহাটীৰ ৰাজ্যিক কেঞ্চাৰ প্ৰতিষ্ঠান (স্তৰ-১ মুখ্য কেন্দ্ৰ), বৰপেটা কেঞ্চাৰ কেন্দ্ৰ (স্তৰ-২ বিস্তৃত কেঞ্চাৰ কেন্দ্ৰ), আৰু দৰং কেঞ্চাৰ কেন্দ্ৰ (স্তৰ-৩ ডে কেয়াৰ কেঞ্চাৰ কেন্দ্ৰ) পৰিদৰ্শন কৰে। তেওঁলোকে ৰবোটিক চাৰ্জাৰী ব্যৱস্থা, লিনিয়াৰ এক্সেলাৰেটৰ (LINAC), উন্নত নিউক্লিয়াৰ মেডিচিন সুবিধা আৰু ডায়াগনষ্টিক ইমেজিং প্ৰযুক্তিসহ আধুনিক চিকিৎসা পৰিকাঠামো আৰু সুবিধাসমূহৰো পৰ্যালোচনা কৰিব।

# কামপুৰত বিপদসীমাৰ ওপৰেৰে বৈছে কপিলী

### নৈপৰীয়াক সজাগ-সতৰ্ক হৈ থাকিবলৈ আহ্বান প্ৰশাসনৰ

**ই-সংবাদ, কামপুৰ, ৩১ মে':** কামপুৰত পুৱাৰেপৰা কপিলী নদীৰ জলপৃষ্ঠ বৃদ্ধি পাবলৈ আৰম্ভ কৰাত নৈপৰীয়া ৰাইজ আতংকিত পৰিছে। যিকোনো মুহূৰ্তত কপিলীয়ে কামপুৰত সৃষ্টি কৰিব পাৰে জলপ্ৰলয়ৰ। এই বাতৰি লিখা সময়ত গাৰোখুন্দাৰ শিল বান্ধৰ ওচৰত ভয়াৱহ গৰাখহনীয়া সৃষ্টি হোৱা বুলি জানিব পৰা গৈছে। নিশাৰ ভাগত কামপুৰত বিস্তীৰ্ণ অঞ্চল প্লাৱিত কৰাৰ আশংকা কৰা হৈছে। কপিলী পাৰৰ গাৰোখুন্দা, কাৰৈমাৰী, পশ্চিম কাৰৈমাৰী, বৰচুং, গোসাইগাঁৱৰ ৰাইজক সজাগ হৈ থাকিবলৈ আজি মাইকযোগে চৰকাৰী গাঁওপ্ৰধান ৰাহুল টেৰনে ঘোষণা কৰিছে। বৰ্তমানেও কামপুৰত বৰষুণ অব্যাহত আছে আৰু কপিলী নৈ বিপদসীমাৰ ওপৰেদি বৈ আছে।



# দলগাঁৱত খহনীয়াৰ কবলত বিদ্যালয়, পানী যোগান আঁচনি

### জাহ গৈছে পঞ্চাশৰো অধিক পৰিয়ালৰ ঘৰ-বাৰী, কৃষিভূমি



**ই-সংবাদ, খাৰুপেটীয়া, ৩১ মে':** বিগত কেইদিনমানৰপৰা নেৰানেপেৰা বৰষুণত দৰং জিলাৰ দলগাঁও সমষ্টিৰ অন্তৰ্গত খেৰণী চাপৰিত ধনশ্ৰী নৈৰ তীব্ৰ গৰাখহনীয়াই আতংকি কৰি তুলিছে নৈপৰীয়া ৰাইজক। নৈৰ উফন্দি উঠা বাঢ়নী পানীয়ে সৃষ্টি কৰিছে তীব্ৰ গৰাখহনীয়াৰ। কালৰূপী খহনীয়াই এফালৰ পৰা মাটি চপৰা-চপৰে খহাইছে। ধনশ্ৰীৰ নৈৰ প্ৰবল খহনীয়াৰ কবলত পৰিছে এখন বিদ্যালয়, এখন অংগনাবাদী কেন্দ্ৰৰ আৰু এটি জলজীৱন মিছনৰ পানী যোগান আঁচনি গৃহৰ লগতে পঞ্চাশৰো অধিক লোকৰ ঘৰ-বাৰী, কৃষিভূমি। খহনীয়াই দলগাঁও শিক্ষাখণ্ডৰ অন্তৰ্গত খেৰণি চাপৰি ১ উত্তৰ প্ৰাথমিক বিদ্যালয়, এখন অংগনাবাদী কেন্দ্ৰ আৰু খেৰণী এন চি পাৰ্ট ২ পানী যোগান আঁচনিৰ গৃহ উঠাই নিয়াৰ পূৰ্বেই শিক্ষক, ৰাইজ আৰু বিভাগীয় কৰ্তৃপক্ষৰ তৎপৰতাত সেই স্থানৰপৰা খুলি আঁতৰাই সুৰক্ষিত ঠাইলৈ লৈ যায়। খহনীয়াৰ ফলত দুয়োটা শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ পাঠদানক লৈ চিন্তাত পৰিছে শিক্ষক আৰু ৰাইজ। অতিশীঘ্ৰেই শিক্ষানুষ্ঠান দুটাৰ আন্তঃগাৰ্থনিৰ কাম কৰি ছাত্ৰ-ছাত্ৰীৰ পাঠদানৰ ব্যৱস্থা কৰাৰ দাবী জনাই শিক্ষকৰ লগতে সৰ্বসাধাৰণ ৰাইজে। বৰ্তমানলৈ নৈখনৰ বুকুত জাহ গৈছে পঞ্চাশৰো অধিক পৰিয়ালৰ ঘৰ-বাৰী, কৃষিভূমি। যাৰবাবে নৈপৰীয়া ৰাইজৰ মাজত হাহাকাৰময় পৰিস্থিতিৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। অতি সোনকালে গৰাখহনীয়া সমস্যা সমাধান নহ'লে বিস্তৰ ক্ষতি হ'ব গাঁওখনৰ। ৰাইজে অতিশীঘ্ৰে খহনীয়া ৰোধৰ দাবী জনাইছে।

# নগাঁৱত সদৌ অসম মেজৰ ৰেংকিং টি টি আৰম্ভ

**ই-সংবাদ, নগাঁও, ৩১ মে':** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত আৰু অসম টেবুল টেনিছ সন্থাৰ সৌজন্যত আজিৰে পৰা ষষ্ঠদশ সংখ্যক ত্ৰৈলোক্য নাথ সোঁৰৰণী সদৌ অসম মেজৰ ৰেংকিং টেবুল টেনিছ (টিটি) প্ৰতিযোগিতাখনি আৰম্ভ হৈছে। নগাঁও ক্ৰীড়া সংস্থাৰ ইনড'ৰ ষ্টেডিয়ামত চাৰিদিনীয়াকৈ আয়োজিত এই প্ৰতিযোগিতাত ৰাজ্যৰ বাৰটা জিলা গোটৰ পৰা চাৰে চাৰিশৰো অধিক খেলুৱৈ (ল'ৰা-ছোৱালী) য়ে অংশগ্ৰহণ কৰিছে। অনূৰ্ধ্ব-১১ বছৰ বয়সৰ পৰা ছিনিয়ৰ শাখা পৰ্যন্ত বাৰটা ইভেণ্টত ল'ৰা-ছোৱালী উভয় শাখাৰে খেল আয়োজন কৰা প্ৰতিযোগিতাখনি আজি অসম অলিম্পিক সংস্থাৰ সহযোগী উপ সভাপতি, নগাঁও ক্ৰীড়া সংস্থাৰ সভাপতি তথা স্থানীয় বিধায়ক ৰূপক শৰ্মাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ দাসে আদৰণি ভাষণ আগবঢ়োৱা উদ্বোধনী অনুষ্ঠানত অসম টেবুল টেনিছ সন্থাৰ উপ সভাপতি প্ৰশান্ত কুমাৰ বৰা, নগাঁও জিলাৰ অতিৰিক্ত আয়ুক্ত ভাস্কৰজ্যোতি চৌধুৰী, এচিএছ বিষয়া পূৰৱী পাটগিৰী আৰু নগাঁও ক্ৰীড়া সংস্থাৰ উপ সভাপতি ডাঃ কৃষ্ণ কুমাৰ বৰাৰ লগতে আন বিষয়ববীয়া অসীম কুমাৰ ভাৰাল, উজ্জ্বল বৰুৱা, ভৱজ্যোতি দাস, তাপস ভাৰাল, প্ৰাক্তন খেলুৱৈ ৰণজিৎ সিং আদি উপস্থিত থাকে। আজি অনূৰ্ধ্ব-১৩ আৰু অনূৰ্ধ্ব-১৭ বছৰ বয়সৰ প্ৰাৰম্ভিক পৰ্যায়ৰ খেলসমূহ চলিছে। অহা তিনি জুনত সামৰণি পৰিবলগীয়া এই প্ৰতিযোগিতাত গোবিন্দ উপাধ্যায় মুখ্য ৰেফাৰী, বিমান ভাগৱতী ডেপুটি মুখ্য ৰেফাৰী, ভাস্কৰজ্যোতি শৰ্মা সহকাৰী মুখ্য ৰেফাৰীৰূপে আছে।



আইপিএল এলিমিনেটৰ মেচত মুম্বাইৰ বিৰুদ্ধে ব্যৰ্থ প্ৰদৰ্শনত হতাশ গুজৰাটৰ ৰাহুল



কেণ্টাবুৰীত অনুষ্ঠিত ভাৰত বনাম ইংলেণ্ডৰ প্ৰথম শ্ৰেণীৰ টেষ্ট মেচত দ্বিশতক অৰ্জন কৰুন নাইৰৰ, শনিবাৰে

## এছিয়ান এথলেটিকছ চেম্পিয়নশ্বিপত শচীন, পাৰুলৰ সাফল্য

# শীৰ্ষত চীন, ২৪টা পদক লাভেৰে দ্বিতীয় স্থানলৈ উন্নীত ভাৰত

**নতুন দিল্লী, ৩১ মে':** এছিয়ান এথলেটিকছ চেম্পিয়নশ্বিপত নিজৰ শ্ৰেষ্ঠত্ব প্ৰমাণ কৰি ২৪টাকৈ পদক লাভ কৰি পদকৰ সংখ্যাত দ্বিতীয় স্থানলৈ উন্নীত হ'ল ভাৰত। এই প্ৰতিযোগিতাত চীনে ৩২টা পদক লাভ কৰি শীৰ্ষস্থান অক্ষুণ্ণ ৰাখিছে। অন্তিম দিনটোত ভাৰতীয় খেলুৱৈসকলে ৬টা পদক লাভ কৰি নিজৰ স্থিতি আৰু অধিক মজবুত কৰে। শনিবাৰে পুৰুষৰ জেভলিন ফাইনেলত শচীন যাদৱে প্ৰথমখন আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত ৰূপৰ পদক লাভ কৰে। শচীনৰ উপৰিও মহিলাৰ ৫০০০ মিটাৰ দৌৰত ৰূপৰ পদক লাভ কৰে পাৰুল চৌধুৰীয়ে। ১৫ মিনিট ১৫.৩৩ ছেকেণ্ড সময়েৰে দ্বিতীয় স্থান দখল কৰে পাৰুলে। আনহাতে মহিলাৰ ৪x১০০ মিটাৰ ৰিলে দলেও ৰূপৰ পদক লাভ কৰে। অবিনয় ৰাজাৰাজন, স্নেহা এছ এছ, শ্ৰবাণী নন্দা আৰু নিত্যা গন্ধাৰ্বৰ ৰিলে দলে ৪৩.৮৬ ছেকেণ্ডত দৌৰ সমাপ্ত কৰে। আনহাতে, পুৰুষৰ ২০০ মিটাৰ দৌৰত স্প্ৰিণ্টাৰ অনিমেশ কুজুৰে ২০.৩২ ছেকেণ্ড সময়েৰে এক নতুন ৰাষ্ট্ৰীয় অভিলেখ গঢ়িবলৈ সক্ষম হয়। মহিলাৰ ৮০০ মিটাৰ দৌৰত পূজাই ব্ৰঞ্জৰ পদক লাভ কৰে। লগতে এছিয়ান গেমছৰ পদক বিজয়ী বিথ্যা ৰামৰাজে মহিলাৰ ৪০০ মিটাৰ হাৰ্ডলছত তৃতীয় স্থান লাভ কৰে। অৱশ্যে পূৰ্বৰ সংস্কৰণত ভাৰতে মুঠ ২৭টা পদক লাভ কৰিছিল। তাৰ তুলনাত এইবাৰ পদক তিনিটা কম হ'ল। অৱশ্যে যোৱাবাৰৰ তুলনাত এইবাৰ ভাৰতীয় খেলুৱৈসকলে অধিক সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। যোৱাবাৰ ভাৰতে ৬টা স্বৰ্ণ পদক লাভ কৰিছিল, এইবাৰ ৮টালৈ বৃদ্ধি পাইছে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (ৰা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি